সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২ সংখ্যা, ২৩ পুহ , ৰবিবাৰ, ১৪২৯ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 2 Date Of Publication -8 January 2023 Rs.10.00/-

## গোৱালপাৰাত শীঘ্ৰেই চলিব বৃহৎ উচ্ছেদ অভিযান




ৰঙিলী বাৰ্ত্তাসেৱা- বেদখলকাৰীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ অংশস্বৰূপে অচিৰেই গোৱালপাৰা বনাঞ্চলৰ অবৈধ দখলৰ বিৰুদ্ধে উচ্ছেদ চলাব প্ৰশাসনে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা স্পষ্ট কৰি দিলে। গোৱালপাৰাস্থিত সৈনিক স্কুল পৰিদৰ্শন কৰি সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই চৰকাৰৰ নীতিসমূহ আগৰ দৰে নহয়, চৰকাৰৰ নীতি উল্টা। পূৰ্বে যি চলি আছিল, সেয়া এতিয়া নচলিব। দৰিদ্ৰ লোকসকলে উচ্ছেদৰ পৰা হাত সাৰিবলৈ স্থানীয় বিধায়কৰ জৰিয়তে উচ্চ ন্যায়ালয়ত আবেদন কৰিব পাৰে। এয়া এক উপায় আছে। অন্যথা উচ্ছেদৰ সন্মুখীন হ'ব লাগিব। আনহাতে গোৱালপাৰাত ভয়াৱহ জনবিস্ফোৰণ হোৱা বুলি আঙুলিয়াই মুখ্যমন্ত্ৰীয়ে কয়- ২০০১ চনৰ পৰা হৈ থকা এই জনবিস্ফোৰণ নিয়ন্ত্ৰণ কৰিব লাগিব। নহ'লে থাকিবলৈ ঠাই নাথাকিব। একাংশ মহাজনে বহু পৰিমাণৰ মাটি দখল কৰি থকা বুলি অভিযোগ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গৰাখহনীয়াত জাহ যোৱা বুলি একাংশ লোকে চৰকাৰী ভূমি

( তিনিপৃষ্ঠাত চাওক)

## ভোগালী, ভোগ আৰু মহাবিনাশ

শৈলেন কুমাৰ, মিৰ্জা



ভোগৰ উৎসৱ ভোগালী । এইসময়ত ধানে, মানে, শস্য, প্ৰাচুৰ্য্যৰে ভঁৰাল ভৰি থাকে । ভোগালী বিহু অসমীয়া কৃষিজীৱী লোকসকলক কেন্দ্ৰ কৰি উদযাপন কৰা উৎসৱ । কিন্তু বৰ্তমান ভোগালীৰ ভোগৰ আনন্দ সলনি হৈছে, ভোগ আৰু আনন্দৰ নামত উপদ্ৰৱ বাঢ়িছে । মানুহৰ এই ভোগ বিলাসৰ প্ৰৱণতাই মানৱ জাতিক মহাবিনাশৰ ফালে ঠেলি দিছে ।উৎসৱ পাৰ্বনৰ প্ৰকৃত অৰ্থ বিশ্লেষণ নকৰা অথবা কামনাবাসনাত লিপ্ত ভোগবাদী মনোবৃত্তি ফলত বৃদ্ধি হোৱা জনসংখ্যাৰ বোজা প্ৰকৃতিয়ে বহন কৰিব নোৱাৰা হৈছে ।এটা দিশত জনসংখ্যা বৃদ্ধি হৈছে আৰু আন এটা দিশত আন আন জীৱজন্তুৰ প্ৰজাতি বিলুপ্ত হোৱাৰ ফলত এতিয়া প্ৰকৃতিয়ে নিজৰ ভাৰসাম্য হেৰাই পেলোৱাৰ ফলত বিভিন্ন ধৰনৰ মহামাৰী বিশ্ববাসীৰ সন্মুখত আৱিৰ্ভাৱ হৈছে । ক'ৰোনা ভাইৰাছ তাৰ জ্বলন্ত উদাহৰণ । বিশ্বৰ বৈজ্ঞানিক সকলৰ এক সমীক্ষা অনুসৰি পৃথিৱীখনৰ জলবায়ু সলনি (climate change) হবলৈ ধৰিছে। এইবোৰ হৈছে একমাত্ৰ মানুহৰ ভোগবাদী প্ৰৱণতাৰ ফলত উৎসৱৰ নামত হোৱা উপদ্ৰৱ কৰিবলৈ গৈ আমি নিজকে নিজে মৃত্যুৰ দিশলৈ গৈ আছোঁ । আৰু যদি আমি সময় থাকোতে আমি সতৰ্ক নহওঁ মহাবিনাশ হোৱাৰ পৰা

( দহ পৃষ্ঠাত চাওক)

## প্ৰাক্তন মন্ত্ৰী ডাঃ নজৰুল ইছলামৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাক্তন মন্ত্ৰী ডাঃ নজৰুল ইছলামৰ দেহাৱসান। হেলথ চিটী হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল প্ৰাক্তন মন্ত্ৰীজন। লাহৰীঘাট সমষ্টিৰ পৰা ৫ বাৰৰ বিধায়ক আছিল ডাঃ ইছলাম। তৰুণ গগৈৰ আমোলত স্বাস্থ্য আৰু যোগান মন্ত্ৰী আছিল নজৰুল ইছলাম। নগাঁৱত সম্পন্ন হ'ব ডাঃ নজৰুল ইছলামৰ জানাজা। ৫ বাৰকৈ বিধায়ক হিচাপে নিৰ্বাচিত হোৱা নজৰুল ইছলাম আছিল তিনিবাৰৰ কেবিনেট মন্ত্ৰী। ১৯৯৬ চনত প্ৰথম বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল তেওঁ। লাহৰীঘাট সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল ডাঃ নজৰুল ইছলাম।

## বন্ধ আৰু সন্ত্ৰাসবাদৰ পৰা মুক্ত কৰি মণিপুৰক উন্নয়নৰ পথলৈ আনিছে



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয় যে বিজেপি চৰকাৰে মণিপুৰৰ পৰা উগ্ৰপন্থা আৰু বন্ধ মুক্ত কৰিছে।ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ মৈৰাঙত জনসভা সম্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰি কয় যে কংগ্ৰেছৰ শাসনকালত মণিপুৰত সন্ত্ৰাসৰ পৰিস্থিতি আছিল। কিন্তু এতিয়া সৰু ৰাজ্যখনত সুশাসন চলাইছে বিজেপিয়ে। মৈৰাঙৰ জনসভাৰ পূৰ্বে ভাৰ্চুৱেলী ৩০০ কোটি টকা ব্যয়সাপেক্ষ ১২টা প্ৰকল্প উদ্বোধন কৰাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ১,০০৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ১টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। কেইবাটাও অভিলাষী আঁচনি মুকলি কৰি জনসভা সম্বোধন কৰা কেন্দ্ৰীয় গৃহমন্ত্ৰী শাহে কয় যে বিজেপি চৰকাৰে উগ্ৰপন্থাক পৰাভূত কৰিছে আৰু ৬খন জিলাৰ পৰা আফস্পা প্ৰত্যাহাৰ

( তিনিপৃষ্ঠাত চাওক)

## বিশিষ্ট বাঁহীবাদক দীপক শৰ্মা গুৰুতৰভাৱে অসুস্থ




ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট বাঁহীবাদক দীপক শৰ্মা গুৰুতৰভাৱে অসুস্থ। তিনি দিন পূৰ্বে শাৰীৰিক অসুস্থতাৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰোৱা

( পাঁচ পৃষ্ঠাত চাওক)

# অসম গৌৰৱ বঁটা লাভ কৰি আৱেগিক ধৃতিমালা ডেকা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰে ঘোষণা কৰিলে অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা। ডাঃ তপন শইকীয়ালৈ 'অসম বৈভৱ' বঁটা আগবঢ়োৱাৰ লগতে ৫ গৰাকীলৈ 'অসম সৌৰভ' আৰু ১৫ গৰাকীলৈ 'অসম গৌৰৱ' বঁটা আগবঢ়োৱা হয়। 'অসম গৌৰৱ' বঁটা লাভ কৰা ১৫ গৰাকীৰ ভিতৰত এগৰাকী বিশেষ মহিলাই লাভ কৰিলে এই সন্মান। মহিলাগৰাকীৰ নাম ধৃতিমালা ডেকা। মানুহৰ শেষ দিনটোৰ সংগী হৈ সমাজৰ সেৱাত নিয়োজিত হৈ থকা ধৃতিমালা ডেকালৈ অসম চৰকাৰৰ বিশেষ সন্মান। নৱগ্ৰহ শ্মশানত মৃতদেহ দাহৰ সময়ত বিভিন্ন ধৰণে সহায় কৰি অহা ধৃতিমালাক কৃতিত্ব প্ৰদান অসম চৰকাৰৰ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজেই শ্মশান বন্ধু বুলি অভিহিত কৰে ধৃতিমালা ডেকাক। ধৃতিমালাই কৰি অহা কাৰ্যৰ বাবে তেওঁক ৰাজ্য চৰকাৰৰ তৃতীয় সৰ্বোচ্চ সন্মান অসম গৌৰৱ বঁটা প্ৰদানৰো ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। এই খবৰ লাভ কৰাৰ পিছতে আবেগিক হৈ পৰে ধৃতিমালা ডেকা। উল্লেখ্য যে, ২০১৬ চনৰ পৰাই নৱগ্ৰহ শ্মশানত সক্ৰিয়ভাৱে মৃতদেহ দাহ কৰি আহিছে ধৃতিমালা ডেকাই। দুই সন্তানৰ মাতৃ মহিলাগৰাকীয়ে সময় উলিয়াই প্ৰায়ে শ্মশানলৈ আহি মৃতদেহ দাহ কাৰ্যত পৰিয়ালক সহায় কৰি আহিছে। ধৃতিমালাৰ এনে মহৎ কাৰ্যই ৰাজ্যজুৰি চৰ্চা লাভ কৰাৰ পিছতে অসম গৌৰৱ বঁটাৰে তেওঁক সন্মানিত কৰাৰ ঘোষণা কৰে অসম চৰকাৰে।

# মৰিগাঁও জিলাত ধান ক্ৰয় কৰা প্ৰথম খন চৰকাৰী গোদাম উদ্বোধন



ৰঙিলী বাৰ্ত্তাসেৱা- মৰিগাঁও জিলাৰ উপায়ুক্ত দেৱাশীষ শৰ্মাই মৈৰাবাৰী লেংৰীবড়ীত স্থাপন হোৱা অসম চৰকাৰৰ ধান ক্ৰয় কেন্দ্ৰ উন্মোচন কৰে। ৰাজ্যখনৰ কৃষক সকলক সকাহ দিয়াৰ লগতে কৃষকে মধ্যভোগী ব্যাৱসায়ীৰ কবলৰ পৰা মুক্ত পোৱাৰ লক্ষ্যৰে খাদ্য আৰু অসামৰিক যোগান নিগম পৰিসীমিতৰ অধীনত ( অসম চৰকাৰৰ কোম্পানী) অসমৰ বিভিন্ন জিলাৰ লগতে মৰিগাঁও জিলাৰ মৈৰাবাৰী লেংৰীবড়ীত স্থাপন হোৱা এই ধান ক্ৰয় কেন্দ্ৰ ( procurement centres ) উন্মোচন কৰি উপায়ুক্ত দেৱাশীষ শৰ্মাই কয় মৈৰাবাৰী অঞ্চলৰ কৃষক সকলে এই কেন্দ্ৰত ২০৪০ টকাত পোনপটীয়াকৈ ধান বিক্ৰী কৰিব পাৰিব। ইয়াত মধ্যভোগীৰ কোনো স্থান নাই। কৃষক সকলে নিজে উৎপাদন কৰা ধান বজাৰত কম দামত বিক্ৰী নকৰি এই কেন্দ্ৰত উচিত মূল্যত ধান বিক্ৰী কৰি লাভৱান হব। আৰু যিজন যুৱকৰ জৰিয়তে এই ধান ক্ৰয় কেন্দ্ৰ স্থাপন হল যুৱক জনক উপায়ুক্ত গৰাকীয়ে প্ৰশংসা কৰে। এই ধান ক্ৰয় কেন্দ্ৰ উন্মোচনী সভাত মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাস মৰিগাঁও জিলাৰ কৃষি বিষয়া ইন্দ্ৰ মহন তালুকদাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ভাৰপ্ৰাপ্ত সহ সঞ্চালক বিচিত্ৰ কুমাৰ দাস উপস্থিত থাকে। সভা খন পৰিচালনা কৰে লেংৰীবড়ী গাঁৱ পঞ্চায়তৰ সভাপতি ফাইজুৰ ৰহমানে।

# ভাৰত আৰু শ্ৰীলংকাৰ এদিনীয়া খেল সন্দৰ্ভত অসম ক্ৰিকেট সন্থাৰ সংবাদমেল



ৰঙিলী বাৰ্ত্তাসেৱা-ভাৰত আৰু শ্ৰীলংকাৰ মাজত চলি থকা টি-২০ শৃংখলা সমাপ্তিৰ পিছতে আৰম্ভ হ'ব দুয়োটা দলৰ মাজত এদিনীয়া শৃংখলা। গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অহা ১০ জানুৱাৰীত এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচ অনুষ্ঠিত হ'ব। ভাৰত আৰু শ্ৰীলংকাৰ মাজত হ'বলগীয়া দিবা-নৈশ এদিনীয়া মেচখনক লৈ অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈয়ে সংবাদমেল সম্বোধন কৰি মেচখনৰ প্ৰস্তুতিৰ বিষয়ে জনায়। টি-২০ শৃংখলা অন্ত পৰাৰ পিছত ৮ জানুৱাৰীত গুৱাহাটী পাবহি দুয়োটা দল আৰু তেওঁলোক থাকিব ৰেডিছন ব্লু হোটেলত। অৱশ্যে বৰ্তমান টি-২০ দলত নথকা ভাৰতীয় দলৰ কেইগৰাকীমান খেলুৱৈ জানুৱাৰীতে গুৱাহাটীত উপস্থিত হ'ব। তাৰ মাজত আছে বিৰাট

( পাঁচ পৃষ্ঠাত চাওক)

# নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত মৈৰাবাৰীত বিজেপিৰ ৰাজ্যিক সম্পাদিকা মেঘনা হাজৰিকা উপস্থিত



ৰঙিলী বাৰ্ত্তাসেৱা- নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সমান্তৰালকৈ বিভিন্ন ৰাজনৈতিক দলৰ নেতা সকলো ব্যস্ত হৈ পৰিছে ভোটৰ অংকত। মৰিগাঁও জিলাৰ মৈৰাবাৰীত অৱস্থিত বিজেপি মণ্ডলৰ কাৰ্যালয়ত এখনি বুথ সবলিকৰণ সভা অনুষ্ঠিত হৈ যায়। কলিয়াবৰ লোকসভা সমষ্টিত বিজেপিৰ ভেটি মজবুত কৰাৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানটোত বিজেপিৰ কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে। বুথ শক্তিকৰণৰ উদ্দেশ্যে মৈৰাবাৰী মণ্ডলৰ অন্তৰ্গত সমূহ বিজেপিৰ কৰ্মকৰ্তাৰ উপস্থিতিত অনুষ্ঠিত হোৱা কৰ্মীসভা খনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম ৰাজ্যিক বিজেপিৰ সম্পাদিকা ও ধিং সমষ্টিৰ বিজেপিৰ প্ৰভাৰী মেঘনা হাজৰিকা, ২০১৯ চনৰ বিজেপিৰ প্ৰাৰ্থী সঞ্জীৱ বৰা, মৈৰাবাৰী মণ্ডল বিজেপিৰ সভানেত্ৰী আফিয়া বেগমকে আদি কৰি অঞ্চলৰ প্ৰায় পাঁচ শতাধিক বিজেপিৰ সক্ৰিয় কৰ্মী।

# ৯ দিনত ৩ কোটি ৬০ লাখ টকাৰ কিতাপ বিক্ৰী অসম গ্ৰন্থমেলাত






ৰঙিলী বাৰ্ত্তাসেৱা- নৱম দিনটোত লেখক-পাঠকৰ সৰস আড্ডা, শিক্ষাৰ্থী-পুথিপ্ৰেমীৰ উছাহ ভৰা উপস্থিতিয়ে আনন্দমুখৰ কৰি তোলে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে চানমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত আয়োজন কৰা অসম গ্ৰন্থমেলা, গুৱাহাটী। বিশেষকৈ "আবেলিৰ হেঙুলীয়া আভা" শীৰ্ষক এক মনোগ্ৰাহী অনুষ্ঠানে সৌষ্ঠৱ বৃদ্ধি কৰে গ্ৰন্থমেলাৰ। বিশিষ্ট সাহিত্যিক-সমালোচক বিমল কুমাৰ হাজৰিকাই সঞ্চালনা কৰা এই অনুষ্ঠানত উদ্বোধকৰূপে অংশগ্ৰহণ কৰে বৰ্ষীয়ান সাংবাদিক-লেখক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীয়ে। অনুষ্ঠানত বক্তাৰূপে অংশগ্ৰহণ কৰে বিশিষ্ট সাংবাদিক-নিবন্ধকাৰ হাইদৰ হুছেইন, বিশিষ্ট লেখক ঈৰছাদ আলী, বিশিষ্ট গ্ৰন্থকাৰ কনক শৰ্মা, জ্যেষ্ঠ লেখক অসমী গগৈ, অসম প্ৰকাশন পৰিষদৰ প্ৰাক্তন সাহিত্য-সম্পাদক শশীপ্ৰভা দাস, বিশিষ্ট লেখক অজয় দত্ত, পদ্ম পাটৰ, ৰেণু দত্ত বৰফুকন, অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি সূৰ্যকান্ত হাজৰিকাকে ধৰি একুৰি গন্যমান্য ব্যক্তিয়ে। তেওঁলোকে লেখক-সাহিত্যিক-সাংবাদিক হিচাপে বিভিন্ন ক্ষেত্ৰত অৰ্জন কৰা জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ বিষয়ে সাৰগৰ্ভ বক্তব্যৰে শ্ৰোতা-দৰ্শকক মোহাচ্ছন্ন কৰে। কেবাগৰাকী

( তিনিপৃষ্ঠাত চাওক)

# শোণিতপুৰ জিলাৰ ভালুকপুঙত ভয়ংকৰ ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- শোণিতপুৰ জিলাৰ ভালুকপুঙত ভয়ংকৰ ঘটনা। ডিট'নেটৰ বিস্ফোৰণ হৈ গুৰুতৰভাৱে আহত হ'ল এগৰাকী ছাত্ৰী। ভালুকপুঙৰ বাগুণ্ডুৰি গাঁৱত সংঘটিত হয় এই অঘটন। ছাত্ৰীগৰাকীয়ে বিদ্যালয়ৰ পৰা ঘৰলৈ আহি থকা অৱস্থাত পথৰ দাঁতিত পৰি থকা ডিট'নেটৰ ঘৰলৈ লৈ আহোঁতে বিস্ফোৰিত হয়। ইতিমধ্যে গুৰুতৰভাৱে আহত ছাত্ৰীগৰাকীক তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাললৈ প্ৰেৰণ কৰা হৈছিল যদিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাললৈ অনা হয়। ঘটনাক লৈ চাঞ্চল্য সৃষ্টি হৈছে শোণিতপুৰত।

# ৯ দিনত ৩ কোটি ৬০ লাখ টকাৰ কিতাপ বিক্ৰী

বয়োজ্যেষ্ঠ ব্যক্তিয়ে গান-কবিতা পৰিৱেশন কৰাৰ উপৰি যৌৱন কালৰ ৰঙীন দিন সোঁৱৰণ কৰি “আবেলিৰ হেঙুলীয়া আভা” অনুষ্ঠান হৃদস্পৰ্শী কৰি তোলে । ইপিনে গ্ৰন্থমেলাৰ প্ৰেক্ষাগৃহত ৭গৰাকী বিশিষ্ট গ্ৰন্থ প্ৰকাশক আৰু বিক্ৰেতা তথা প্ৰকাশন ব্যৱস্থাৰে জৰিত ২গৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয় । সম্বৰ্ধিতসকল হৈছে ক্ৰমে নবীন বৰুৱা (পূৰ্বাঞ্চল প্ৰকাশ), নীহাৰেন্দ্ৰ চৌধুৰী( গ্ৰন্থপীঠ), শ্ৰীপদ চৌধুৰী (বাণী প্ৰকাশ), ৰাজেন্দ্ৰ মোহন শৰ্মা (চন্দ্ৰ প্ৰকাশ ), জীৱন কৃষ্ণ মিশ্ৰ (নতুন গ্ৰন্থপীঠ, বৰপেটা), হাজী নৌচাদ আলী (আলম বুক ষ্টল, কলগাছিয়া), মনোৰঞ্জন কলিতা( কলিতা বুক ষ্টল, পাণবজাৰ), সুজিত মজুমদাৰ (ওৰেষ্টাৰ্ণ বুক ডিপোৰ কৰ্মচাৰী) আৰু লক্ষীদেৱ শৰ্মা (কিৰণ প্ৰকাশনৰ কৰ্মচাৰী)। কলগাছিয়াৰ হাজী নৌচাদ আলীৰ হৈ বৰপেটা জিলা পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ প্ৰতিনিধিয়ে সম্বৰ্ধনা গ্ৰহণ কৰে ।এই অনুষ্ঠানৰ আঁত ধৰে প্ৰবোধ দাসে । উল্লেখ্য যে আজিও কিতাপ বিক্ৰীৰ হাৰে উৎফুল্লিত কৰিছে প্ৰকাশন গোষ্ঠীসমূহক। যোৱা ২৯ ডিচেম্বৰৰ পৰা আজি পৰ্যন্ত অসম গ্ৰন্থমেলা, গুৱাহাটীত ৩ কোটি ৬০ লাখ টকাৰ কিতাপ বিক্ৰী হোৱা বুলি সদৰী কৰিছে প্ৰকাশন পৰিষদে । সন্ধিয়া মূল মঞ্চত অনুষ্ঠিত হয় এলানি মনপৰশা সাংস্কৃতিক কাৰ্যসূচী ।

# বন্ধ আৰু সন্ত্ৰাসবাদৰ

কৰিছে। তদুপৰি কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে উত্তৰ-পূৰ্বাঞ্চলত আঠ বছৰৰ কম সময়তে ৩.৪৫ লাখ টকা বিনিয়োগ কৰা প্ৰসংগ উল্লেখ কৰি গৃহমন্ত্ৰী শ্বাহে কয় যে এই সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অঞ্চলটো ৫১বাৰ ভ্ৰমণ কৰিছে। মণিপুৰৰ মুখ্যমন্ত্ৰী এম বীৰেন সিঙৰ নেতৃত্বত ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে বিশাল অভিযান চলাই থকা বুলি উল্লেখ কৰি গৃহমন্ত্ৰী শ্বাহে কয় যে বিজেপিয়ে পৰৱৰ্তী নিৰ্বাচনৰ পূৰ্বে মণিপুৰক ড্ৰাগছমুক্ত কৰিব । গৃহমন্ত্ৰী শ্বাহে মুকলি কৰা প্ৰকল্পসমূহৰ ভিতৰত ছাংগাইথেলৰ মণিপুৰ অলিম্পিয়ান পাৰ্ক, ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত জৱাহৰলাল নেহৰু ইনষ্টিটিউট অৱ মেডিকেল ছায়েন্সৰ এটা পেইড প্ৰাইভেট ৱাৰ্ড, মৰে চহৰৰ পানী যোগান আঁচনি আদি আছে। আধাৰশিলা স্থাপন কৰাৰ ভিতৰত ৪০খন আৰক্ষী চকী আছে। ইয়াৰে ৩৪খন ভাৰত-ম্যানমাৰ আন্তৰ্জাতিক সীমান্তত আৰু বাকী ছয়টা ৰাষ্ট্ৰীয় ঘাইপথ সংলগ্ন। জনসভা সম্বোধন কৰাৰ পূৰ্বে গৃহমন্ত্ৰী শাহে মৈৰাঙত ইণ্ডিয়ান নেচনেল আৰ্মীৰ মুখ্য কাৰ্যালয়ত ত্ৰিৰংগা উত্তোলন কৰে আৰু চুৰা চন্দ্ৰপুৰৰ চিকিৎসা মহাবিদ্যালয় উদ্বোধন কৰে। ইপিনে, ঐতিহাসিক প'ল' খেলৰ কেন্দ্ৰ মণিপুৰৰ মাৰি জিং প'ল' কমপ্লেক্সত ১২০ ফুট উচ্চতাৰ প'ল' খেলুৱৈৰ প্ৰতিমূৰ্তি এটা উন্মোচন কৰে গৃহমন্ত্ৰী শ্বাহে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য মণিপুৰক অনেকে প'ল' খেলৰ জন্মস্থান বুলি উল্লেখ কৰে।

# জনতা ভৱনত ‘মুখ্যমন্ত্ৰীৰ ডায়েৰী-১’ উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- ব্যস্ততাৰ মাজতো প্ৰতিটো দিনৰ কাম-কাজেই ডায়েৰীত লিপিবদ্ধ কৰিছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ লোৱাৰ পাছত দৈনন্দিন কাম-কাজৰ বিৱৰণী লিপিবদ্ধ হৈ থকা তেওঁৰ দিনলিপিসমূহে আজি গ্ৰন্থৰূপ পায়। জনতা ভৱনত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ ডায়েৰী-১ শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ তথা ৰাজ্য সভাৰ সাংসদ ৰঞ্জন গগৈয়ে। অনুষ্ঠানত প্ৰাক্তন মুখ্য ন্যায়াধীশজনে কয় যে জীৱনৰ প্ৰথমছোৱাত ওকালতি কৰা ড° শৰ্মা এজন সুদক্ষ অধিবক্তা আছিল। তেওঁ ওকালতি কৰি থকা হ'লে আজি ওকালতিৰ ক্ষেত্ৰখনত সফল ব্যক্তি হিচাপে পৰিচিত হ'লহেঁতেন। দেশৰ আইন ব্যৱস্থাৰ নেতৃত্ব ল'ব পাৰিলেহেঁতেন। কিন্তু আমাৰে দুৰ্ভাগ্য তেওঁ ওকালতি এৰি ৰাজনীতিৰ পথাৰত ভৰি দিলে।

# এজন যুৱকে নিজৰ দেহত অংকন কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিচ্ছবি



ৰঙিলী বাৰ্ত্তাসেৱা- মামালৈ ভাগিনৰ মৰম। ডিগবৈৰ যুৱক ৰাজেশ সৰকাৰে নিজৰ দেহত অংকন কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিচ্ছবি। নিজৰ পিঠিত টাটু আঁকি দেখুৱালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি থকা অগাধ শ্ৰদ্ধাৰ বাবেই যুৱকজনে এইদৰে পিঠিত অংকন কৰালে টাটু। এইদৰে নিজৰ প্ৰতিচ্ছবি দেখি অভিভূত হৈ পৰিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মঙলবাৰে ডিগবৈৰ নাজিৰাটিং তামুলী পৰ্যটন উৎসৱত অংশগ্ৰহণৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীৰ আগত নিজৰ পিঠিত আঁকি লোৱা টাটু প্ৰদৰ্শন কৰে যুৱকজনে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজেই যুৱকজনৰ এই ফটো ছচিয়েল মিডিয়াত শ্বেয়াৰ কৰিছে ।

# প্ৰাক্তন মন্ত্ৰী ড° নজৰুল ইছলামৰ মৃত্যুত লাহৰীঘাটবাসী মৰ্মাহত



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাক্তন মন্ত্ৰী তথা লাহৰীঘাট সমষ্টিৰ ৫ বাৰৰ কংগ্ৰেছী বিধায়ক ড° নজৰুল ইছলামৰ মৃত্যু। নেতা গৰাকী কিছু সময় পূৰ্বে গুৱাহাটী হেল্থ চিটীত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুৰ এই খবৰে মৰিগাঁওবাসীৰ লগতে লাহৰীঘাটবাসীক মৰ্মাহত কৰি তুলিছে । প্ৰদেশ কংগ্ৰেছৰ সামাজিক মাধ্যম আৰু তথ্য প্ৰযুক্তি বিভাগৰ সম্পাদক মৰিগাঁৱৰ যুৱ নেতা ৰাজীৱ আহমেদও জেষ্ঠ্য নেতা গৰাকীলৈ গভীৰ শোক প্ৰকাশ কৰে ।উল্লেখ যে কংগ্ৰেছৰ জেষ্ঠ্য নেতা গৰাকীৰ নশ্বৰ দেহ আজি দিনৰ ২ বজাত শেষ শ্ৰদ্ধা জ্ঞাপনৰ অৰ্থে ৰাজীৱ ভৱনলৈ নিয়া হৈছিল। প্ৰদেশ কংগ্ৰেছৰ নেতৃবৃন্দই তেখেতৰ বিদেহ আত্মাৰ সদগতিৰ অৰ্থে প্ৰাৰ্থনা জনাব। ড° নজৰুল ইছলাম ভাৰতীয় জাতীয় কংগ্ৰেছৰ পৰা অসম বিধানসভাৰ সদস্য আছিল। ২০০২ চনৰ ৭ জুনৰ পৰা ২০১৬ চনৰ ২০ মে'লৈ অসম চৰকাৰৰ তৰুণ গগৈ চৰকাৰত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ১৯৯৬ চনৰ পৰা ২০২১ চনলৈ লাহৰীঘাট সমষ্টিৰ পৰা পোনপটীয়াকৈ পাঁচবাৰকৈ নিৰ্বাচিত হৈছে।

# গোৱালপাৰাত শীঘ্ৰেই চলিব বৃহৎ

বেদখল কৰে। কিন্তু মহাজন আৰু মাতব্বৰে বহু মাটি দখল কৰি থৈছে। খহনীয়াত ভূমি জাহ যোৱা লোকসকলক মহাজনে এক-ডেৰ কঠাকৈ মাটি দিলে সকলোৱে ভূমি পাব। আনহাতে, গোৱালপাৰাৰ বনাঞ্চলত কিছু লোকে ৰবৰৰ খেতি কৰাক লৈও মুখ্যমন্ত্ৰীয়ে অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়- এয়া কোনো বিপ্লৱ নহয়। ১০০জন লোকৰ বাবে আমি বনাঞ্চল ধ্বংস হ'বলৈ নিদিওঁ। তেওঁলোকে শাল, চেগুন গছ ৰোৱক। কিন্তু বনাঞ্চল কাটি উপাৰ্জন কৰা দেখুৱালে নহ'ব। ১০০জন মহাজনক সুৰক্ষা দিয়াটো চৰকাৰৰ কাম নহয়। বিধায়কসকলক মই কৈছোঁ উচ্ছেদ কৰিলে আমাৰো বেয়া লাগে। কিন্তু উপায় নাই। স্থানীয় বিধায়কসকলে ন্যায়ালয়ৰ দ্বাৰস্থ হৈ বিকল্প ব্যৱস্থাৰ পথ উলিয়াব লাগিব। চৰকাৰে আইন অনুসৰিয়েই কাম কৰিব। আমাক ভোট নালাগে। গতিকে আইন অনুসৰিয়েই আমি সকলো কাম কৰিম।

# মই এগৰাকী ছাত্ৰী

**অভিলাষা গগৈ,
পঞ্চম শ্ৰেণী, টীয়ক**



মই এগৰাকী ছাত্ৰী
পঢ়া-শুনা মোৰ কাম
শিক্ষকৰ আৰ্শীবাদলৈ
মই আগুৱাই যাম।
পঢ়া-শুনা কৰি যদি
মই হ'ব পাৰোঁ ভাল মানুহ
দেশৰ কাৰণে ত্যাগ দিম
নিজৰ জীৱনটো।

# ভন্টী

**প্ৰিন্সিপ্ৰিয়া গগৈ,
পঞ্চম শ্ৰেণী, টীয়ক**



মোৰ এজনী ভন্টী আছে
তাইৰ নাম অভিলাষা
তাই খাই ভাল পায়
নিমখত দিয়া শিলিখা।
পঢ়াৰ টেবুলত বহিবলৈ ক'লে
তাই বৰ সেমেনা-সেমেনি কৰে
খেলিবলৈ পালে তাই
ৰঙতে কিৰিলি পাৰে।
গোটেই দিনটো খেলা-ধূলা কৰি
তাই ঘৰলৈ আহে
ভাগৰত তাই পঢ়া টেবুলত বহি
টোপনিয়াই থাকে।

# নীলা আকাশখন

**লক্ষীপ্ৰিয়া দাস,
পঞ্চম শ্ৰেণী, টীয়ক**



পুঁৱাৰ বেলিয়ে নীল আকাশত ৰং সানিছে
ইটো-সিটোকৈ ডাৱৰে লুকা-ভাকু খেলিছে
কিমান যে ধুনীয়া নীলা আকাশখন
চালে চাই থাকিবৰ যায় মোৰ মন।
লাহে লাহে বেলিটোৱে পশ্চিমলৈ ঢল গৈছে
দিনটো যেন সকলোৱে কাৰণে শেষ হৈছে।
নীলা আকাশত উৰি ফুঁৰা চৰাইজাকেও
নিজৰ বাহলৈ ঢাপলি মেলিছে।

# কৃতজ্ঞতাৰ বোল

**হিমাশ্ৰী বৰা,
ৰিমেনজ কলেজ, তিনিচুকীয়া**




“বোপা, নামিবৰ সময়ত বেগটো অকণমান ধৰি দিবাচোন ! ষ্টেচনৰ পৰা তুমি, মোক নিবলৈ অহা গাড়ীখনতে যাব পাৰিবা ।” যাতায়তৰ সুবিধাৰ কথাটো গুৰুত্ব নিদিয়াকৈয়ে ঘৰৰ পৰা বহু আঁতৰত জীৱন সংগ্ৰাম কৰি থকা চফল ডেকাজনে বেগটোৰ লগতে সত্তৰ উৰ্দ্ধৰ মানুহজনকো চম্ভালি লৈছিল । কেইমিনিটমানৰ চিনাকিতে ইজনে-সিজনলৈ আগবঢ়োৱা সহায়ৰ হাত কিম্বা সাহসৰ মাতষাৰৰ নেপথ্যত কৃতজ্ঞতাৰ ফুল এপাহ ফুলিছিল নিশ্চয়কৈ । দৈনন্দিন জীৱনত পৰিচিত-অপৰিচিত অনেকজনৰ প্ৰতি আমি কৃতজ্ঞ হও । পিতৃ-মাতৃ, শিক্ষাগুৰু, আত্মীয়-স্বজনকে আদি কৰি ক্ষন্তেকীয়া চিনাকি এজনে কৰা সামান্য উপকাৰলৈকে, আগুৱাই যোৱাৰ বিভিন্ন পথ দেখুৱাই দিয়া অগ্ৰজৰ পৰা 'মানুহ' হ'বলৈ শিৰত বুলাই দিয়া নিঃস্বাৰ্থ আশীৰ্বাদৰ হাতকেইখনলৈকে প্ৰত্যেকৰ বাবেই কৃতজ্ঞতাত মূৰ দোঁ খায় আমাৰ । কেতিয়াবা আকৌ এনে এক বিন্দুত ৰৈ যোৱা

*(দহ পৃষ্ঠাত চাওক)*

# গ্ৰন্থমেলাত ক্ৰয় কৰা কিতাপ সমূহ পঢ়েনে ?

**দেবৰ্ষি গৌতম, বনগাঁও**



অসম গ্ৰন্থমেলা বুলি কলে অসম অভিযান্ত্ৰিক খেলপথাৰত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। সকলো বয়সৰ লোকে এবাৰ হলেও গ্ৰন্থমেলাৰ বাকৰিত ভুমুকি মৰিবলৈ চেষ্টা কৰে। কিন্তু ইয়াতে এটা প্ৰশ্নৰ উদয় হয়। গ্ৰন্থমেলালৈ যোৱা প্ৰতিগৰাকী লোকে এখনকৈ হলেও কিতাপ ক্ৰয় কৰেনে ? জনসমাগমৰ অনুপাতে গ্ৰন্থমেলাত কিতাপ বিক্ৰী হয় নে ? হয়তো সংখ্যাৰ ভিত্তিত পৰ্যালোচনা কৰিলে আমি ইয়াৰ অনুপাত ইতিবাচক হিচাপে লাভ কৰিম। কিন্তু ইয়াতকৈও ডাঙৰ প্ৰশ্নটো হল যিসকল লোকে গ্ৰন্থমেলালৈ আহি কিতাপ ক্ৰয় কৰে সেই সকল লোকে ক্ৰয় কৰা কিতাপ সমূহ পঢ়েনে ? গ্ৰন্থমেলাত আমি ফুৰিবলৈ যোৱা বহুতো মানুহ লগ পাওঁ তাৰ পৰিবৰ্তে বহু মানুহে গ্ৰন্থমেলাত নিজৰ পছন্দ অনুযায়ী কিতাপ ক্ৰয় কৰে। কিতাপ ক্ৰয় কৰা মানুহসকলৰ মাজত কিছুসংখ্যক এনেকুৱা মানুহ থাকে যিয়ে কিতাপখন ক্ৰয় ঠিকে কৰে কিন্তু ঘৰলৈ লৈ যোৱাৰ পিছত কিতাপ খনৰ ভিতৰত কি আছে এবাৰৰ বাবেও খুলি নাচায়। এখন কিতাপ কেৱল ক্ৰয় কৰি ঘৰত সজাই থলে দায়িত্ব শেষ নহয়। কিতাপ এখন ক্ৰয় কৰাৰ পিছত পাঠক হিচাপে কিতাপ খন পঢ়ি কি পালে সেইয়া পৰ্যালোচনা কৰা দৰকাৰ। যদি কিতাপ খনত কিবা ত্ৰুটি নাইবা আসোঁৱাহ আছে সেই কথা প্ৰকাশক অথবা লেখকৰ দৃষ্টিগোচৰ কৰাটো এগৰাকী দায়িত্বশীল পাঠকৰ কৰ্তব্য। এগৰাকী লেখক-লেখিকাৰ যিদৰে এখন কিতাপ লিখিবলৈ হলে বহুতো দায়িত্ব থাকে ঠিক একেদৰে এগৰাকী দায়িত্বশীল পাঠক হিচাপে কিতাপ খন পঢ়াৰ পিছত পাঠক সকলেও নিজৰ মতামত ব্যক্ত কৰিব লাগে। কিতাপ সমূহ ক্ৰয় কৰি ঘৰত সজাই থৈ দিয়াৰ পৰিবৰ্তে যদি আমি কিতাপ সমূহ পঢ়িবলৈ এক অভ্যাস গঢ়ি তুলিব পাৰো তেনেহলে আগন্তুক দিনত অসমীয়া ভাষা-সাহিত্যৰ ভৱিষ্যৎ বিষয়ে আলোচনা কৰাৰ পৰিস্থিতি হয়তো নাহিব।

# অপৰাধ

**স্ৰোতস্বিনী দেৱী**




সকলোৰ লগত হাঁহি মাতি থকা নীলা জনী আজি নিমাত...!! “কি হৈছে...?? একোতো হোৱা নাই” এই কথাষাৰে তাইৰ মনলৈ বাৰে বাৰে আহিছে। একো যদি হোৱাই নাই তেন্তে.........!! টেবুলৰ ওপৰত পৰি থকা ৰিপোৰ্টখনলৈ চাই ৰ'ল নীলাই।

অপৰাধ বুলি জানিও নীলাই সেই অপৰাধ কৰিবলৈ ডঃ বৰুৱাৰ কাষ পালেগৈ। ডঃ বৰুৱাই নীলাক কেইটামান প্ৰতিষ্ঠানৰ ঠিকনা দি ক'লে-“নীলা !! এই প্ৰতিষ্ঠানত গৈ তুমি এই অপৰাধ নকৰা কৈয়ে ভাল দৰে থাকিব পাৰিবা।” তেতিয়া নীলাই ক'লে- “অবিবাহিত অৱস্থাত মাতৃ হোৱাৰ বদনামৰ ভয়ত মই এই অপৰাধ কৰিব খোজা নাই ছাৰ, মই মাথোঁ বিশ্বাসৰ সুবিধা লোৱা দুষ্ট প্ৰেমিকৰ ৰূপত এজন ধৰ্ষণকাৰী নাইবা বিশ্বাসত ভোল যোৱা প্ৰেমিকাৰ ৰূপত এগৰাকী ধৰ্ষিতাক এই পৃথিৱীলৈ আনিব খোজা নাই। পবিত্ৰ আৰু নিস্বাৰ্থ ভালপোৱা বোৰ কাহানিবাই আত্মহত্যা কৰিছে। মই বিচাৰোঁ বৰ্তমান সময়ৰ মিছা ভেজাল ভাল পোৱাৰ নামত মোৰ প্ৰেমিক আৰু মোৰ দৰে আকৌ এজন ধৰ্ষণকাৰী নাইবা ধৰ্ষিতাৰ পৃথিৱীৰ ক'তো জন্ম নহওঁক।”

# ভাৰত আৰু শ্ৰীলংকাৰ এদিনীয়া খেল

কোহলী আৰু ৰোহিত শৰ্মাও। গুৱাহাটীত উপস্থিত হোৱাৰ পিছত ৯ জানুৱাৰীত দুয়োটা দলে বৰ্ষাপাৰাত অনুশীলন কৰিব বুলিও সংবাদমেলত সদৰী কৰে সভাপতি তৰংগ গগৈয়ে। ৯ জানুৱাৰীৰ বিয়লি ১ পৰা ৪ বজালৈ শ্ৰীলংকাই আৰু ভাৰতীয় দলে ৫ বজাৰ পৰা অনুশীলন কৰিব। যোৱা খেলত কাৰিকৰী বিজুতিৰ বাবে খেলৰ মাজত লাইট বন্ধ হৈছিল যদিও এইবাৰ টেণ্ডাৰিঙৰ যোগেদি পুৰণা লাইট সলনি কৰাৰ ব্যৱস্থা কৰা হৈছে বুলি কয় গগৈয়ে। আনহাতে, ১০ হাজাৰ টকীয়া টিকট অনলাইনত বিক্ৰী হৈ আছে। ৩০ ৰ পৰা ৩২ হাজাৰটা টিকট বিক্ৰীৰ লক্ষ্য লৈছে অসম ক্ৰিকেট সন্থাই। ১০ হাজাৰ টকীয়া টিকট অনলাইনত এতিয়াও উপলব্ধ আছে দৰ্শকৰ বাবে। নেহৰু ষ্টেডিয়ামত বুক মাইশ্ব'ৰ যোগেদি টিকট সংগ্ৰহ কৰিব পাৰিব। ১০ হাজাৰ টিকট জিলাসমূহলৈ পঠিওৱা হৈছে । ইয়াৰ লগতে তেওঁ উল্লেখ কৰে খেলপথাৰত সাপ নোসোমাবলৈ কৰা বিশেষ ব্যৱস্থাৰ কথা। ইয়াৰ বাবে স্বেচ্ছাসেৱী সংগঠনক দায়িত্ব দিয়া হৈছে। আনহাতে পুৰণি লাইটেৰে অনুষ্ঠিক কৰা হ'ব খেল। নতুন লাইট অনা হৈছে যদিও লগোৱা হোৱা নাই।

# বিশিষ্ট বাঁহীবাদক দীপক শৰ্মা

হৈছিল শিল্পীগৰাকীক। গুৱাহাটীৰ দিছপুৰ হাস্পতালত চিকিৎসাধীন হৈ থকা শিল্পী শৰ্মাৰ শৰীৰৰ বহুকেইটা অংগত বিসংগতি ধৰা পৰা বুলি জানিব পৰা গৈছে। বাঁহীবাদকগৰাকীৰ বৃক্ক আৰু হৃদযন্ত্ৰজনিত ৰোগত আক্ৰান্ত হোৱাৰ লগতে যকৃতৰ অসুস্থতাক ভুগিছে। হাস্পতালৰ গেষ্ট্ৰোলজী বিশেষজ্ঞ ডাঃ ভৱদেৱ গোস্বামী আৰু ডাঃ চন্দন মোদকে শিল্পীগৰাকীৰ চিকিৎসাৰ দিশত যাৱতীয় সেৱা আগবঢ়াই আছে। ব্যয়বহুল চিকিৎসাৰ প্ৰয়োজন হোৱাত শিল্পীগৰাকীৰ অনুৰাগীয়ে ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ পৰা কিছু আৰ্থিক সকাহ পোৱাৰ আশা কৰিছে।

# শোকাৱহ পথ দুৰ্ঘটনাত শিল্পী সাগৰ বুঢ়াগোহাঁইৰ কৰুণ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা-গোলাঘাটৰ কমাৰগাঁৱত নিশা সংঘটিত হোৱা নৈশ বাছ আৰু ব্যক্তিগত বাহনৰ মাজত মুখামুখি সংঘৰ্ষত থিতাতে নিহত হয় উদীয়মান শিল্পী সাগৰ বুঢ়াগোহাঁই। গোলাঘাট-বোকাখাতৰ প্ৰায় সংখ্যক সংস্কৃতিক অনুষ্ঠানতে এজন গীটাৰ বাদকৰূপে দেখা পোৱা গৈছিল সাগৰ বুঢ়াগোহাঁইক। শিল্পী সাগৰ বুঢ়াগোহাঁইয়ে বৃহত্তৰ নুমলীগড় অঞ্চলৰ নৱপ্ৰজন্মৰ মাজত গীটাৰৰ প্ৰশিক্ষণ প্ৰদানেৰে ৰাইজৰ সমাদৰ লাভ কৰিছিল। সৰবৰাহী যুৱক তথা গিটাৰ বাদক সাগৰ বুঢ়াগোহাঁইৰ মৃত্যুত এতিয়া সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।




২৩ পুহ ১৪২৯ চন Rongili Barta, Date of Publication--8 January,2023

# অ'ভাৰ ব্ৰিজ সমূহত বেনাৰ প'ষ্টাৰ

(মনৰ অনুভৱ)

কাজি শ্বাহাদত ইছলাম

১) আমি নিজকে ভাৰতৰ নাগৰিক হিচাপে দাবী কৰি বহুত গৰ্ব অনুভৱ কৰোঁ নহয়নে বাৰু? কিন্তু আমি বাস্তৱতে এজন নাগৰিক হিচাপে নিজৰ দায়িত্ব কিমান দূৰ পালন কৰোঁ নো? নিজক লৈ সদা সৰ্বদা ব্যস্ত থকা আমিবোৰে দেশ মাতৃৰ বাবেতো একো কৰিবই নোৱাৰোঁ অথচ্ দেশৰ সন্মানীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন “স্বচ্ছ ভাৰত অভিযান” ক বুঢ়া আঙুলি দেখুৱাই দেশ খনৰ সৌন্দৰ্যক বিধ্বংস কৰি জুৰুলা কৰাত উঠি পৰি লাগিছোঁ। আমি চহৰত বসবাস কৰা এনে বহুতো নাগৰিক আছোঁ যিবোৰৰ কিছুমান কৰ্মকাণ্ডই সচেতন মহলক আচৰিত কৰি তোলে। নিজৰ ব্যৱসায়িক পৰিসৰৰ শ্ৰীবৃদ্ধিৰ বাবে জাকতজিলিকা চহৰখনক কুৎসিত ৰূপত ৰূপান্তৰিত কৰাত কত যে পায়তাৰা আৰম্ভ কৰিছোঁ।

২) আমি সকলোৱে জানো যে ব্যস্ত চহৰ গুৱাহাটী মহানগৰীত যানজঁট হোৱাটো এটা বিৰাট ডাঙৰ সমস্যা। এই সমস্যাবোৰ দূৰীকৰণৰ বাবে চৰকাৰে ঘনে ঘনে অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰ জৰিয়তে সুন্দৰ সুন্দৰ উৰণীয়া সেঁতু (অ'ভাৰ ব্ৰিজ) নিৰ্মাণ কৰি তাতে দেশখনৰ বিভিন্ন জাতি জনগোষ্ঠীৰ কলা সাংস্কৃতি, জীৱ জন্তুৰ লগতে মহান ব্যক্তিসকলৰ ছবি অংকন কৰি আটকধুনীয়া কৰি তুলিছে। যিবোৰ ছবিৰ প্ৰতি চালে চাই থাকিবৰে মন যায়। সেই ঠাইবোৰত যে আমি সদায় পাণৰ পিক, গোঠখাৰ পিক পেলাই লেতেৰা কৰোঁ, তেনে কৰিলে সেই ঠাইবোৰ কিমান আপচু লাগে এবাৰ ভাবি চাওকচোন। তাতোকৈ ডাঙৰ কথা হৈছে ব্ৰিজ সমূহৰ তলৰ ফালে লক্ষ্য কৰিলে বুজাত গণ্ডগোল লাগে যে আমি কোনখন সমাজত বসবাস কৰি আছোঁ। ব্ৰিজ সমূহৰ স্তম্ভ সমূহলৈ চাই এনেকুৱা লাগে যেন সেয়া অকল বিজ্ঞাপনৰ বাবে হে নিৰ্মাণ কৰা হৈছে। চাৰিওফালে প'ষ্টাৰেই প'ষ্টাৰ। কিছুমান নতুন, কিছুমান আধা ফলা কিছুমান উৰলি যোৱা।

৩) ব্ৰিজ বা দেৱালসমূহত বেনাৰ প'ষ্টাৰ লগোৱা কিমান দূৰ সঠিক কিম্বা ভুল সেয়া ক'ব যোৱা নাই, মইতো মাথোঁ চকুৰ আগত সেই অদ্ভুত ছবিটো দাঙি ধৰিব বিচাৰিছোঁ যি ছবিয়ে আমাৰ আপোনাৰ বিবেকক নোৱাৰিলেও হৃদয়ক হয়তো বা দেখাবলৈ বাধ্য কৰাব ভুল শুদ্ধৰ বিভাজন চিনটো। ধৰি লওক আপোনাৰ মৰমৰ ঘৰখন বহুত টকা খৰচ কৰি নিৰ্মাণ কৰি উলিয়াইছে। ঘৰখনক



ইমানেই ধুনীয়া ৰং কৰিছে যে দেৱালেৰে এটা পৰুৱা খোজকাঢ়ি গ'লেও দেখা পোৱা যায়। সেই

(দহ পৃষ্ঠাত চাওক)

# শীতৰ কুঁৱলী ঠেলি পোহৰক লওঁ আদৰি ....

যোৱাখণ্ডৰ পৰা ...

মানসী মিশ্ৰ

২০২২ বৰ্ষটোৱে আমাৰ ৰাজ্যৰ বৌদ্ধিক, সামাজিক সাংস্কৃতিক জগতৰ কেইবাগৰাকী পুৰোধা ব্যক্তিক আমাৰ মাজৰ পৰা আঁতৰাই লৈ গ'ল । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথিৰ দিনটোতে মাজুলীৰ এক উজ্বল সম্ভাৱনা নিজৰ গীত, নৃত্যৰ প্ৰতিভাৰে অসমৰ সাংস্কৃতিক জগতখন পোহৰাই তোলা কিশোৰী শিল্পী তেজস্বীতা বৰুৱাৰ অকাল মৃত্যু হ'ল । ইয়াৰ পিছত অসমৰ লোক সাহিত্য সংস্কৃতিৰ অন্যতম পুৰোধা ব্যক্তি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি বিভাগৰ মুৰব্বী অধ্যাপক ড° নবীন চন্দ্ৰ শৰ্মাদেৱ আমাৰ মাজৰ পৰা আঁতৰি গ'ল । ইয়াৰ ঠিক পিছতেই অসমৰ সত্ৰীয়া সংস্কৃতিৰ অন্যতম সাধক, বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ বশিষ্ঠ দেৱ শৰ্মা বুঢ়া সত্ৰীয়াৰ মৃত্যু আমাৰ ৰাজ্যৰ বাবে এক ডাঙৰ ক্ষতি । অসমীয়া বোলছবি জগতৰ সুদক্ষ অভিনেতা, সচাঁকৈয়ে অসমীয়া ছিনেমা জগতৰ অন্যতম জনপ্ৰিয় সুদৰ্শন অভিনেতা, বলিষ্ঠ অভিনেতা নিপন গোস্বামীদেৱৰ মৃত্যুৱে অসমৰ সংস্কৃতি প্ৰেমী সকলো ৰাইজকে কন্দুৱালে । ইয়াৰ ঠিক পিছ দিনা খনেই প্ৰখ্যাত চিত্ৰশিল্পী নীলপৱন বৰুৱাদেৱে এই ধৰাৰ মায়া এৰি অজান দেশলৈ গুছি গ'ল । বছৰটোৰ শেষৰ ফাললৈ প্ৰসিদ্ধ শিক্ষাবিদ, বিজ্ঞান মনস্ক লেখক, জ্যেষ্ঠ সাংবাদিক ড° শিৱনাথ বৰ্মন ছাৰৰ মৃত্যু আমাৰ বৌদ্ধিক, সামাজিক, সাংস্কৃতিক জগতৰ বাবে অপূৰণীয় ক্ষতি । মানুহৰ মৃত্যু অৱধাৰিত । কিন্তু এইসকল লোকে আমাৰ সমাজত সংস্কৃতিলৈ যোগাই যোৱা বাৰেবৰণীয়া, অমূল্য অৱদান সমূহক আমি উপযুক্তভাৱে সংৰক্ষণ কৰিব লাগিব আৰু ভৱিষ্যত উত্তৰসুৰীৰ কামত লগাব লাগিব। এয়াই হব তেওঁলোকৰ প্ৰতি আমাৰ প্ৰকৃত শ্ৰদ্ধাঞ্জলি।

নতুন বছৰ এটা আৰম্ভ হয়। চাব গলে হিচাপত ৩৬৫ টা দিন। কিন্তু চকুৰ পলকতে বছৰটো শেষ হৈ যায় । প্ৰথম ছোৱাত মানুহৰ অনুভৱে নহয় সময়বোৰ কিদৰে পাৰ হৈ যায় । কিন্তু বছৰটোৰ শেষৰ ফালেহে লেখ জোখ হয় । লগতে কোনোটো বছৰ যে সম্পূৰ্ণ সফলভাৱে পাৰ হয় তেনে নহয় । সংগ্ৰাম, সুখ আৰু দুখ, ঘাট, প্ৰতিঘাট প্ৰতিটো বৰ্ষতেই থাকে । এই সকলো বিলাক অতিক্ৰম কৰিয়েই আমি আগবাঢ়ি গৈ থাকিবলগীয়া হয় । ২০২২ বৰ্ষটোক নেতিবাচক দিশ যিদৰে আছিল, একেদৰে ইতিবাচক দিশো আছিল। এটা উল্লেখযোগ্য দিশ যে ২০২১ বৰ্ষৰ নৱেম্বৰ মাহৰ পৰা ২০২২ চনৰ প্ৰথম দুটা মাহলৈ কোভিদ মহামাৰীয়ে আমাৰ ৰাজ্যখনতো ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল। ২০২২ বৰ্ষত ৰাজ্যখনত এই কোভিদৰ মাৰাত্মক সংক্ৰমণ প্ৰায় নিয়ন্ত্ৰিত হয়। কোভিদ পৰিস্থিতিয়ে যোৱা দুটা বৰ্ষত মানুহৰ সামগ্ৰিক জীৱন যাত্ৰাত যি নেতিবাচক প্ৰভাৱ পেলালে তাৰ ফলত সকলো ফালে যি অচলাৱস্থাৰ সৃষ্টি হৈছিল সেই অৱস্থা স্বাভাৱিক অৱস্থালৈ ঘূৰি আহে আৰু মানুহৰ জীৱনযাত্ৰা বহু পৰিমাণে স্বাভাৱিক হ'বলৈ ধৰে আৰু মানুহৰ জীৱন জীৱিকাৰ মূল আধাৰ অৰ্থনৈতিক ক্ষেত্ৰখনলৈও গতিশীলতা আহে। এয়া আমাৰ ৰাজ্যৰ বাবে নিঃসন্দেহে ইতিবাচক দিশ। ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত ৰাষ্টা-ঘাট পথ দলং আদি নিৰ্মাণৰ কাম খৰতকীয়া হৈছে। এই ২০২২ বৰ্ষৰ আন এটি উল্লেখযোগ্য দিশ হ'ল এইটো বৰ্ষৰ ভিতৰতে আমি স্বাধীনতাৰ মহাৰজত জয়ন্তী বৰ্ষ উদযাপন কৰিলোঁ। আমি স্বাধীনতাৰ বীৰ বীৰংগণা সকলৰ কাহিনী সমূহ সাধুকথাৰ নিচিনাকৈ শুনিছিলোঁ। এইবাৰ স্বাধীনতাৰ বিজয় উৎসৱত অংশলৈ আমাৰ লগতে উঠি অহা প্ৰজন্মৰ বহুতেই স্বাধীনতাৰ গৌৰৱময় ইতিহাসৰ বহু নজনা কথাও জানিবলৈ সক্ষম হ'লো। ঠিক একেদৰেই বছৰটোৰ শেষৰ ফালে মহাবীৰ লাচিতৰ জন্মজয়ন্তীৰ মহা উৎসৱ প্ৰত্যক্ষ কৰিলোঁ। লাচিতৰ দৰে এজন মহাবীৰক ৰাষ্ট্ৰীয় পৰ্য্যায়ত অধিষ্ঠিত কৰি তেখেতক সন্মান যচাটো আমাৰ সকলোৱে বাবে গৌৰৱৰ কথা। কোভিদ পৰিস্থিতিৰ মাজত শিক্ষা, সাংস্কৃতিক ক্ষেত্ৰত হোৱা শূণ্যতাৰ পৰা ওভোতাই আনি শিক্ষাখণ্ডক পুনৰ স্বাভাৱিক কৰি তুলিবলৈ বহুতো সুদূৰ প্ৰসাৰী পদক্ষেপ হাতত লোৱা হৈছে। একেদৰে অৰ্ধমৃত হৈ পৰা সাংস্কৃতিক ক্ষেত্ৰখনকো পুনুৰোজ্জীৱিত কৰিবলৈ চেষ্টা কৰা হৈছে। বিশেষকৈ মবাইল অৰ্থাৎ ভ্ৰাম্যমান থিয়েটাৰ সমূহ এইটো বৰ্ষত পূৰ্ণগতিত চলিছে। মুঠতে দুটা বছৰ কোভিদ মহামাৰীয়ে ৰাজ্যবাসীক অস্থিৰ আৰু শংকিত কৰি ৰখাৰ পিছত ২০২২ বৰ্ষটোত কোভিদ পৰিস্থিতিয়ে বহুখিনি শাম কৰিছিল আৰু মানুহৰ মাজলৈ হাঁহি আৰু আনন্দ বহু পৰিমানে ঘূৰি আহিছিল। এয়াই আছিল প্ৰকৃতাৰ্থত ২০২২ বৰ্ষটোৰ বাবে আটাইতকৈ ইতিবাচক দিশ।

এইদৰেই ঋতু আহে, ঋতু যায়। সময়বোৰো বোৱতী নদীৰ দৰে খৰ গতিৰে পাৰ হৈ যায়। প্ৰতিটো বৰ্ষই দৰাচলতে আশা নিৰাশা, সুখ-দুখ, আনন্দ-বেদনা, পোৱা- নোপোৱাৰ সমষ্টি। এইসকলোবোৰৰ মাজেদিয়ে মানুহে পুৰণিক বিদায় দি নতুনক আঁকোৱালি লয়। আশা কৰে সকলোৱে যে নতুন দিনবোৰে মানুহৰ জীৱনলৈ আহিবলগীয়া সময়বোৰত সুখ সমৃদ্ধি কঢ়িয়াই আনিব, নোপোৱাবোৰ পোৱা কৰিব, হতাশাবোৰ আশালৈ পৰিৱৰ্তিত কৰিব। নতুন আৰু পুৰণিৰ মাজত নো কি বিশেষ ব্যৱধান। নতুনবোৰেই এদিন পুৰণি হয়, আকৌ নতুন আহে। তথাপিও সময়ে কেইটামান মূহুৰ্ততে মানুহৰ জীৱনলৈ বহুত পৰিৱৰ্তন আনিব পাৰে। গতিকে আহিবলগীয়া সময়খিনিত গঠনমূলক কিবা এটা হোৱাটো সকলোৱে বিচাৰে। মানুহৰ জীৱনবোৰ সুৰক্ষিত আৰু সুন্দৰ হোৱাটো সকলোৱে বিচাৰে। হয়তো ২০২২ বৰ্ষৰ বিদায়ী ক্ষণত আৰু ২০২৩ বৰ্ষৰ প্ৰাক্ মুহুৰ্তত থিয় হৈ আমি সকলোৱে একেমুখে কম যে আমাৰ সকলো মানুহৰে জীৱনবোৰ সুৰক্ষিত হওক নিৰাপত্তাৰ ফালৰ পৰা সুৰক্ষিত হওক, স্বাস্থ্যৰ ক্ষেত্ৰৰ পৰা সুৰক্ষিত হওক, অৰ্থনৈতিক ক্ষেত্ৰৰ পৰা সুৰক্ষিত হওক। গতিকে আমাৰ সৰ্বসাধাৰণ অভিভাৱক স্বৰূপ চৰকাৰ খনে আমাক সুৰক্ষিত কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব লাগিব। আমি আশা কৰিম নতুন বছৰটোত আমাৰ ৰাজ্যৰ আইন শৃঙ্খলাৰ ব্যৱস্থাটো উন্নীত হওঁক, বিশেষকৈ সৰ্বসাধাৰণ ৰাইজৰ লগতে মহিলা, যুৱতী সকলৰ নিৰাপত্তাৰ ব্যৱস্থাটো যথেষ্ট শিথিল হৈ পৰিছে। বিশেষকৈ বলাৎকাৰ, যৌন উৎপীড়ণৰ ঘটনা সমাজৰ যথেষ্ট বৃদ্ধি পাইছে। এই অপৰাধৰ লিপ্ত অপৰাধী সকলক কঠোৰ হাতেৰে অৰ্থাৎ আইনী প্ৰক্ৰিয়াৰে নিয়ন্ত্ৰণ কৰিবলৈ এখন কটকটীয়া আইন প্ৰস্তুতকৰণৰ কাম আৰম্ভ হ'ব লাগে। আন এক দিশত আমি সৰ্বসাধাৰণ ৰাইজে পৰিৱৰ্তন বিচাৰোঁ, সেয়া হৈছে মূল্যবৃদ্ধিৰ দিশটো নিয়ন্ত্ৰিত হওঁক ৰাজ্যত বিশেষকৈ অত্যাৱশ্যকীয় খাদ্যসামগ্ৰী, গেছ চিলিণ্ডাৰ, জীৱন ৰক্ষাকাৰী ঔষধ আদিৰ ক্ষেত্ৰত চৰকাৰে কথাটো অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰক। আমাৰ ৰাজ্যখনত ভয়াবহ গতিত বাঢ়ি অহা অপৰাধ সমূহলৈ লক্ষ্যৰাখি আমি সকলোৱে বিচাৰিম যে ৰাজ্যৰ আৰক্ষীবিভাগটো অধিক সক্ৰিয় আৰু গতিশীল হওঁক। আৰক্ষী আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কটো বেছি সহজ আৰু সুন্দৰ হওঁক। যোৱাটো বৰ্ষৰ দেখা শুনা কিছু অভিজ্ঞতাৰ পৰা কৈছোঁ যে ৰাজ্যখনৰ স্বাস্থ্য খণ্ডটো আৰু অধিক উন্নীত হোৱাটো প্ৰয়োজন আছে। বিশেষকৈ ৰাজ্যৰ বিভিন্ন অঞ্চলত থকা চৰকাৰী চিকিৎসালয় সমূহৰ আন্তঃগাঁঠনি আৰু অধিক উন্নীত হোৱাটো প্ৰয়োজন। ঠিক এনেদৰে ৰাজ্যবাসীয়ে নতুন প্ৰত্যাশাৰে নতুন বছৰটোক আকোঁৱালি ল'বলৈ সাজু হৈছে। কুঁৱলী ঠেলি পোহৰক আদৰিবলৈ প্ৰস্তুত হৈছে ৰাইজ। নতুন বছৰৰ প্ৰতীক্ষাৰ এই সময়ছোৱাত আমি সকলোৱে এইটোৱেই অংগীকাৰ কৰিব লাগে যে আমি প্ৰত্যেকেই ব্যক্তিত্বৰ বিশালতা, প্ৰজ্ঞাৰ প্ৰসাৰতা, সময়ৰ আহ্বানৰ মাজেদি সমাজখনক নতুনকৈ সজাব লাগে।

JANASANYOG- 3730/22



# কনচেং

মুন ৰাজবংশী



পাহাৰী গীত এটি মুখৰ ভিতৰতে গুণগুনাই বাঁহৰ কাঠিৰ ধুনীয়া খোখাটো পিঠিত লৈ কনচেং ওলাই যায়গৈ কচু, ঢেকীয়া, পচলা আদি বিচাৰি। কনচেং ৰ গীত শুনি ওলাই আহে সেই পাহৰতে বসবাস কৰি থকা লোকসকল। তাইৰ মিঠা আৰু বুকু জুৰ পেলোৱা মাতটো সকলোৰে প্ৰিয়। সেইখন পাহাৰত কনচেং ক ভাল নোপোৱা এজনো লোক নাই যিয়ে কনচেং ক বেয়া বুলিব পাৰে। তাইৰ সহজ সৰল সৰু মনটোৱে বৰঞ্চ সকলোৰে উপকাৰ হে কৰে। আজিকালি কনচেং ওলাই আহিলে তাইৰ লগত আৰু দুই এজন সাঁৰথি হৈ যায়। লগত বিচাৰি আনে খৰি- খেৰ আৰু পাহাৰীয়া শাক পাচলি । পাহাৰৰ জংঘল কাটি বাট উলিয়াই মৰম লগা চঞ্চলতাৰে ভৰা পখিলাৰ দৰে নাচি বাগি নামি আহে তলিলৈ কনচেং। খোখাটোত থকা বিধে বিধে শাক, আলু, কচু, আৰু বহুতো বনৰীয়া পাচলি সেই সকলোবোৰ উলিয়াই মেলি দিয়ে বজাৰত। আজিকালি বজাৰখনৰ মানুহবোৰ কনচেং ৰ নতুন হৈ থকা নাই। তাইক দেখিলে সকলো বেপাৰীয়ে আগুৱাই আহে।

তাইৰ কোমল হাতেৰে বুটলি অনা আলু, কচু, ঢেকীয়া বোৰ গ্ৰাহকবোৰে সহজতে পচন্দ কৰে। সেয়ে বেছি সময়লৈ তাই বজাৰখনত ৰৈ থাকিবলগীয়া নহয়, সেইবোৰ বিক্ৰি কৰি পোৱা পইচা কেইটা আধাখৰচ ঘৰখনৰ বাবে ৰাখি আধা কাৰোবাৰ জীৱনত অত্যন্ত প্ৰয়োজনত খৰচ বহন কৰে। কনচেং ৰ নিৰ্মল পবিত্ৰ অথচ সৰু হৃদয়খনৰ এনে সৰলতা দেখি সিহঁতৰ বস্তীৰ প্ৰত্যেকেই তাইক বৰ আদৰ সাদৰ কৰে। বস্তীটোত সিহঁতৰ সম্প্ৰদায়ৰ যিকোনো উৎসৱ, পূজা উদযাপন কৰিবলৈ হ'লে বহুত কামৰে আগভাগ কনচেং এ দায়িত্ব পালন কৰে। যাতে কামবোৰ সুকলমে পাৰ হয়।

এবাৰ বহাগ মাহৰ কোনোবা এটা দিনত সিহঁতৰ বস্তীত উৎসৱৰ আয়োজন কৰা হ'ল..; সৰু সৰু ল'ৰা ছোৱালীৰ পৰা একেবাৰে বৃদ্ধ গৰাকীয়েও সেই উৎসৱত আগভাগ ল'লে। সকলোৱে নিজৰ নিজৰ মনৰ ভিতৰত থকা এটা এটাকৈ প্ৰতিভা দেখুৱাই গ'ল... ! প্ৰত্যেকটো ক'লা কৌশলী বৰ আনন্দ দায়ক আছিল। কোনোৱে গীত পৰিবেশন কৰিলে, কোনোৱে আকৌ নৃত্য পৰিবেশন কৰিলে, কোনোৱে আকৌ ৰজা ৰাণীৰ ভেশচন ধৰিলে। মুঠৰ ওপৰত প্ৰত্যেকৰে মনত এটা এটা নতুন ৰূপ দেখিবলৈ পোৱা গ'ল সেইদিনা।

সময়ৰ সোঁতত বৈ গৈ কনচেং আজি গাভৰু হ'ল। গাভৰু হ'ল তাইৰ পোহনীয়া প্ৰতিটো চৰাইৰ জাক। গাভৰু হ'ল তাইৰ আজি মৰমৰ গাইগৰু জনী, তাই দিনৰ দিনটো কটোৱা পাহাৰখন, তাৰে ওপৰত লহপহকৈ বাঢ়ি অহা সেউজীয়া বোৰ। তাতোকৈ আপোনমনে খেলি থকা নৈখন। নৈখনৰ বুকুৰ পাৰত বহি কথা পাতে মাছবোৰৰ লগত। কিমান ধৰণৰ যে মাছ আছে কনচেং নৈখনত... ; তাইৰ চুবুৰীটোৰ মানুহবোৰে নৈখনলৈ আহি ধৰি লৈ যায় সৰু বৰ সকলোবোৰ মাছ। মাছবোৰ ধৰি নিলে তাইৰ দুখ লাগে, কিন্তু ক'ব নোৱাৰে তাই সিহঁতক। কেনেকৈ কয় নৈখনৰ বুকুত থকা মাছবোৰ ধৰি নিনিবি বুলি... ! সিহঁতবোৰ যে নৈখনৰ লগৰীয়া। নৈখনৰ লগত সিহঁতৰ এক বিশেষ সম্পৰ্ক আছে, যেনে কনচেং ৰ... ?

আজি পাহাৰী চৰাইৰ গীতত আৰু কনচেং ৰ কোমল পৰশত নৈখনে চঞ্চলতাৰ ঢৌ তুলি বৈ যায় একাবেঁকা পাহাৰী সেউজীয়াৰ ভাঁজে ভাঁজে। তাই নাজানে ! এই কনচেং জনীয়ে ক'ত গৈ মিলিছে! কোন ডেকা নদীৰ লগত মিলন হৈছে। মাথোঁ তাই জানে, এই হেন সুন্দৰী গাভৰু দুয়োপাৰে ঘন সেউজীয়াৰে ভৰা চিকমিক পানীৰ সোণালী ঢৌৰ বৰণত চিটিকি পৰা ৰশ্মিৰ ধুনীয়া নৈখনৰ প্ৰেমত কোনে নপৰাকৈ থাকিব পাৰে... ? কোনেও নোৱাৰে। সেইবোৰ ভাবি ভাবি তাই বহি পৰে নৈখনৰ কোলাত। পাৰতে ফুলি থকা থোপা থোপে বনৰীয়া ফুলৰ কেইপাহ মান চিঙি আনি এপাহ এপাহকৈ এৰি দিছে চঞ্চলতাৰ সোণালী ঢৌত। সেই ঢৌত সিঁচি গৈছে বনৰীয়া সুবাস। য'ত বাটৰুৱাকো মোহিত কৰি তুলি টানি আনিছে তাইৰ বুকুৰ পাৰলৈ।

প্ৰতিদিনে কনচেং নৈৰ বুকুৰ পাৰত আহাৰ বিচাৰি অহা বনৰীয়া চৰাইজাকে উৰি গৈ দি থৈ গ'ল আবেলিৰ বতৰা। সেউজীয়াৰ শান্তিৰ কোলাত অকলে এৰি চিঞৰি চিঞৰি কৈ ৰাতিপুৱাতে এৰি অহা ঘৰলৈ উভতি গ'ল মৰমৰ কনচেং।

- ঐ আজিলৈ থাক সেউজীয়াৰ স'তে কথা পাতি কালিলৈ আকৌ আহিম দুখ নকৰিবি দে... ?

চুবুৰীটোৰ চাৰিওফালে ওখ ওখ পাহাৰ আৰু গছ গছনিৰে ভৰা বাবে বেলিটোৱে পশ্চিমত ভাটি দিয়াৰ লগে লগে পাহাৰখনত এন্ধাৰ সোণাকালে নামি আহে। গধুলিৰ সময়ত ওচৰৰ দুই এজন লোকে কনচেং ক বিচাৰি আহি মাত নোপোৱা বাবে সাহস হে যায় তাইক আগবঢ়াই আনিবলৈ। মানুহ কেইজনে জানে যে তাই পাহাৰখনৰ লগত পুৰণি চিনাকি। তাই বাট ভুল নকৰে, কিন্তু পাহাৰখনত থকা হিংস্ৰ বন্য প্ৰাণী লৈ ভয় পায়! কি ঠিক, কেতিয়া কোনফালৰ পৰা আহি কাক কেতিয়া আক্ৰমণ কৰি চিকাৰ বনাই।

চিনাকি পাহাৰী গীতটো কাণত পৰাৰ লগে লগে মানুহ কেইজনৰ বুকুত প্ৰাণবায়ু ঘুৰি আহিল।

- ঐ কনচেং! তই আজি ইমান পলম কিয় কৰিলি ইয়াত... ?

-নাই ও ককাই! চৰাই কেইজনীক ঘৰত যাবলৈ কওঁতে আৰু সৰু সৰু মোৰ মৰমৰ শহা পোৱালি কেইটাক মাকৰ ওচৰত থৈ আহোতে এইখিনি সময় লাগিল। চিন্তা কৰিব নালাগে দে ককাই! মোৰ এই পাহাৰখনত একো নহয় বুজিলি... ?

- হুম! আৰু তোৰ সেই দাঁত নিকটাই ওলাই আহা সিহঁতৰ গোজৰণিত পাহাৰ কঁপাই যোৱা কেইটাৰ কথা পাহৰিলি হ'বলা.. ?

- সিহঁতক অন্যায় নকৰিলে সিহঁতেও কাকো অন্যায় নকৰে।

- মুঠৰ ওপৰত তোক আমি হাৰ মনাব নোৱাৰোঁ. . ? এতিয়া আৰু ইয়াত থকা উচিত নহয় কনচেং ব'ল ঘৰলৈ.. !

- বুজিছ ককাই! তহঁতে এতিয়া মোৰ চিন্তা কৰিব নালাগে দে... ? মই এতিয়া ডাঙৰ হৈছো।

- সেয়ে এতিয়া বেছি ভয় লগা হৈছে তোৰ বাবে আমাৰ... !

- কি... ?

- অ' সৰু থাকোতে সিমান চিন্তা নাছিল! এতিয়া যিমানেই ডাঙৰ হৈ গৈ আছ সিমানেই বেছি ভয় মনত লাগে... ? তই গাভৰু ছোৱালী কনচেং। তোৰ দৰে গাভৰুৰ আমাৰ ঠাইখনত বৰকৈ প্ৰয়োজন ও।

- হ'ব দে! মই বুজিছোঁ তহঁতৰ মনৰ ভয় ক'ত... ?

কনচেং ক নিজৰ ছোৱালীৰ দৰে মৰম কৰা পামেগামে কথাষাৰ ক'বলৈ বিচাৰিছে যদিও তাই মনত দুখ পাব বুলি ভয়তে ক'ব পৰা নাই... ! কেনেকৈ উলিয়াই কথাষাৰ! পাৰিব জানো তাইৰ আগত প্ৰকাশ কৰিব যে তোক... ?

পামেগাম আৰু চুবুৰীটোৰ দুই তিনিজন লোক আহি কনচেং হঁতৰ চোতালত বহি আছে। নৈখনৰ পৰা পানী লৈ আহি তাহাঁতৰ চোতালত ডাঙৰ ডাঙৰ মানুহকেইজন বহি থকা দেখি অলপ ভয় খাইছিল যদিও সিমান আচৰিত নহ'ল.. ! মনৰ সন্দেহ দুৰ কৰিবলৈ বৰজনাক মাত লগালে-

- কি ও ককাই, আজি আকৌ কি কাম ওলাল চুবুৰীটোত... ? যে ইমান পুৱাই আহি ওলালহি ইয়াত... ?

- কনচেং ! আজিৰ পৰা তই আৰু পাহাৰলৈ নাযাবি ;

- কিয়.. ?

- কিয় মানে.. ! আমি আৰু ইয়াৰ পৰা যাব লাগিব... ?

-যাব লাগিব ! ক'ত যাব লাগিব.. ? ভালকৈ বুজাই নকওঁ কেলৈ... !

- আমি য'ত আছোঁ এইয়া আমাৰ নিজৰ জমীন নহয় বুজিলি ... ? যোৱাকালি আবেলি আমাৰ ইয়াত কেইজনমান চৰকাৰী লোক আহি এইখন দি গৈছে... ?

- হুম ল' পঢ়ি চা কি লিখিছে... !

- "কনচেং ৰ হাতত তুলি দিয়া কাগজখন লৈ তাই পঢ়ি গ'ল এফালৰ পৰা... ! " কিছু সময় মৌন হৈ তাই আকৌ পামেগামক সুধিলে...;

ঐ ককাই! এইখন পত্ৰত আমি ইয়াৰ পৰা যাব লাগিব বুলি একো কথা উল্লেখ কৰা হোৱা নাই দেখোন ? তই কেনেকৈ ক'ব পাৰিলি আমি ইয়াৰ পৰা যাব লাগিব। তাতোকৈ ডাঙৰ কথাটো হ'ল, পত্ৰখনত চৰকাৰৰ কোনো ধৰণৰ মোহৰ লগোৱা ইয়াত দেখা নাই; কেনেকৈ আমি ইয়াৰ পৰা যাব লাগিব বুলি ভাবি ললি তহঁতে ... ?

কনচেং ৰ মুখৰ কথা শুনি পামেগামৰ মুখৰ মাত হেৰাই থাকিল। যিখন পত্ৰ অলপ সময়ৰ আগতে তেওঁ নিজে পঢ়ি লৈ কথাবোৰ বুজি লৈছিল কিন্তু কনচেং ঙে পঢ়ি সম্পূৰ্ণভাবে বেলেগকৈ উত্তৰ দিলে... ;

বুজিছ ককাই পত্ৰখনত তেওঁলোকে উল্লেখ কৰা মতে আমি এতিয়া য'ত বাস কৰি আছোঁ, সেই সকলোবোৰৰ জমীন চৰকাৰী কাগজ বনোৱা হ'ব। সময়ে সময়ে গৈ আমি এই জমীনৰ নামত তেওঁলোকে এটা নিৰ্ধাৰিত কৰা মাচুল আমি দিব লাগিব। আইন মতে নগলে দণ্ডনীয় অপৰাধ হয়। সেয়া আমাৰ কৰ্তব্য ককাই। চিন্তা কৰিব নালাগে দে! এইবাৰ তেওঁলোক আহিলে মোক মাতি দিবি ।

হুম ল' এতিয়া ৰাতিপুৱাৰ ফিকা চাহকাপকে খাই ল মনটো ভালে লাগি থাকিব ।

কনচেং ঙে কথাবোৰ কৈ থকাৰ মাজতে চাহ কেতিয়া বনালে তেওঁলোকে গমকে নাপালে! আজি যদি ইয়াত কনচেং নাথাকিলে হয় কি হ'লগৈ তেওঁলোকৰ অৱস্থা।

পুৱাৰ বেলিৰ উজ্জ্বল পোহৰত আজি আৰু বেছি ধুনীয়া কৰি তুলিছিল গাভৰু কনচেংক। তাইৰ সেই উজ্জ্বল ধুনীয়া মুখখনিৰ চকুত চকু থৈ চাব পৰা শক্তি কাৰো নাই। কিয়নো কনচেঙৰ দৃষ্টিলৈ চালে আপোনা আপুনি নিজৰ চকুহাল তললৈ নামি যায়। এইয়া ভয় নহয় বিশেষকৈ লাজ লাগি যায়। তাইৰ সেই কোমল দুটি পাহিৰ চকুহালৰ

(নপৃষ্ঠাত চাওক)

# কনচেং

ইমান উজ্জ্বল যে অলপ সময়ো চাই থাকিব নোৱাৰি...! পলকতে বশ কৰি কথা কোৱা তাইৰ সেই গোলাপৰ দুটি পাহিৰ কোমল ওঁঠযুৰি। আহঃ কি অপূৰ্ব ৰঙৰ বোল তাত। ক'বলৈ গ'লে গোটেই পৃথিৱীৰ সমস্ত ৰং ৰূপ কনচেঙৰ মুখখনতেই যেন বিৰাজমান।

চুবুৰীটোত থকা যি দুই চাৰিজন ডেকা আছে আনকি সিহঁতেও লাজ কৰে কনচেঙৰ মুখলৈ চাই কথা ক'বলৈ। সিহঁতে যেতিয়া কনচেঙৰ কাষত থিয় হয়, তেতিয়া কনচেঙৰ ৰূপৰ জেউতীয়ে ডেকাহঁতক একেবাৰে ধুনীয়াটো যেন লাগে। কনচেঙৰ ৰূপ, সৌন্দৰ্য আৰু তাইৰ মিঠা মিঠা কথাবোৰে চুবুৰীটোৰ সকলোকে ডেকা কৰি ৰাখিছে।

নহ'লে পামেগাম আৰু লাংথুলুৰ দৰে মানুহবোৰক কেতিয়াবাই সকলোৱে বুঢ়া বুঢ়া বুলি মাত লগালে হয়। কনচেঙে পিঠিত বাঁহৰ খোখাটো ওলোমাই লৈ ওঁঠত বৰহমথুৰিৰ ৰং সানি পাহাৰী গীতৰ কলি এটা গুণগুনাই তাইৰ মৰমৰ বান্ধৱী চাংমাইক মাত লগালে-

- " ঐ চাংমাই! কি কৰি আছা, আজি কি পাহাৰখনত যাবলৈ মন নাই নেকি তোৰ...?
- অ' কনচেং তই। আছে! আছে !আহ ভিতৰতে বহহি।
- নবহো দে চাংমাই। যা যদি সোনকালে ব'ল, তই নগলে মই অকলে যাব লাগিব আৰু আজি অলপ সোনকালে উভতি আহিব লাগিব...!
- কি হ'ল, আজি ইমান লৰালৰি কিয় লাগিছে তোৰ...?
- তই হ'বলা পাহৰি গলি! আজি দুদিন আগতে আমাৰ বজাৰ খনৰ সেই ডাঙৰ দোকানিটোৱে কি কৈছিল; যে আমি কিবা পাহাৰৰ জংলী পাচলি নিলে সোনকালে নিবলৈ কোৱা মনত নাই নেকি তোৰ...? আমি যি নিও সেই সকলোবোৰ দোকানিটোৱে ৰাখি বিক্ৰি কৰিব । বজাৰত শুনিছো কোনোবা বেলেগ ভয়ংকৰ মানুহ সোমাইছে...?
- কি...?
-অ' তই হ'বলা কথাবোৰ পতকৈ পাহৰি যোৱাৰ অভ্যাস আছে। এতিয়া যা যদি আহ মোৰ লগত নহ'লে মই যাওঁ তই তোৰ কাম কৰি থাক..!

কনচেং গ'লগৈ পাহাৰখনলৈ। তাই বজাৰ খনৰ কথা মাজে মাজে ভাবে...! এইবোৰ আকৌ কেনেকুৱা ভয় লগা মানুহ... ; সিহঁত বোৰ কি আমাৰ দৰে নহয় নেকি...? সিহঁতৰ গাত তেজ মঙহ নাই নেকি বাৰু...? কেনেকুৱা ধৰণৰ তেওঁলোক এবাৰ চাব পৰা হ'লে...? কথাবোৰ ভাবি গৈ থাকোতে পাহাৰখনত থিয় হ'ল তাই।

প্ৰতিদিনৰ দৰে আজিও নতুন পাচলি আৰু দেহৰ বাবে উপকাৰী কিছুমান সেউজীয়া লতাজাতীয় পাচলি তুলি লৈ গৈ বজাৰ পালে। কনচেঙক দেখি দোকানীজনে মাত লগালে-- ঐ কনচেং! এইফালে আহঃ...

- গৈছোঁ ৰ' বুলি কৈ উপস্থিত হ'ল মালিকজনৰ সন্মুখত। উম কওঁক মালিক...?
- কি কি আনিলি আজি তই...?
- এইয়া চাওঁক, মাটিৰ তলৰ আলু, পনৌনোৰা শাক, কলদিল, পাদুৰী লতা, মানিমুনি, শুকতি, এইয়া ঔ টেঙা মাছৰ লগত খাই বৰ ভাল পাব মালিক।
- হওঁতে হয়, পিছে পলম কৰিব নালাগে যা এই পইচা কেইটা ল' আৰু সোনকালে ঘৰত যা। গৈ থাকোতে মাজত ক'তো ৰৈ ৰৈ নাযাবি...!
- মালিক আজি পইচা কমকৈ দিলে কিয়...? মোৰ পাচলিত মই ভবা মতে আৰু পাব লাগে...?
- পাবি! পাবি! ময়ো জানো, কিন্তু এতিয়া মোৰ লগত নাই বাবে দিব পৰা নাই ও কনচেং... মই জানো! তই কষ্ট কৰি ঘৰখনৰ লগতে চুবুৰীটোৰ দুই এজন লোকক সহায় কৰা সেয়াও জানো। কালিলৈ গোটেইকেইটা পইচা একলগত নিবি এতিয়া যা পলম নকৰিবি...?

মনত সন্দেহ আৰু ভয় লৈ কনচেঙক বৰকৈ অনুৰোধ কৰি আছে মালিকে...?

- মালিক যাওঁ। এটা কথা কওঁক চোন...!
- কি কথা...?
-আমাৰ বজাৰত কেনেকুৱা ভয় লগা মানুহ সোমাইছে নো মোৰ চাবলৈ বৰ মন গৈছে...!
- হুম এতিয়া আৰু তই বিপদ মাতি আনিব নালাগে ও আই তই যাগৈ যা...? সিহঁতবোৰ আহিলে নাজানো আজি কি উৎপাত কৰি থৈ যায়...?

মালিকজনৰ কথাত ভয় লাগিছিল যদিও সিহঁতবোৰক এবাৰ চাই যোৱাৰ ইচ্ছাও কনচেঙৰ মনত আছে! কিন্তু এইয়া ঠিক হ'ব জানো...! নাই ! নাই! তাই এনেকুৱা ভুল নকৰে, তাই ডাঙৰৰ কথা মান ৰখা ছোৱালী, গতিকে মালিক জনৰ মনত কষ্ট দিব বিচৰা নাই। কিন্তু মনেও মানা নাই...? আজিলৈ থাকক অহা কালিলে কিবা এটা নিশ্চয় কৰিব তাই...?

চিন্তিত মনেৰে সেমেকা চকুযুৰীৰে আমন জিমনকৈ ঘৰ পালে কনচেং। কনচেঙক ঘৰৰ পদূলিত আমন জিমনকৈ থকা দেখি লাংথুলুই মাত দিলে।

আগলৈ...

# বিধায়কৰ পঞ্চায়ত দৰবাৰ

**ঋষি লহকৰ, ৰঙিয়া**



অসমৰ ১২৬ বিধানসভা সমষ্টিৰ ভিতৰতে পোন প্ৰথম বাৰৰ বাবে ৰঙিয়া বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক তথা বিজেপি, অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি শ্ৰীযুত ভবেশ কলিতা ডাঙৰীয়াৰ এক পযেক জোৰা ব্যতিক্ৰমী কাৰ্যসূচী "বিধায়কৰ পঞ্চায়ত দৰবাৰ" ।

সমষ্টিৰ বাসী ৰাইজৰ মাজত থাকি সাধাৰণ ৰাইজৰ হৈ নিজৰ নিজৰ কৰ্মদক্ষতাৰে নিজেকে পৰিচয় দিয়া ৰঙিয়া সমষ্টিৰ সৰ্বকাল জনপ্ৰিয় মাননীয় বিধায়ক তথা বিজেপি অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি শ্ৰীযুত ভবেশ কলিতা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আৰু ৰঙিয়া ব্লক মণ্ডলৰ শ্ৰদ্ধাৰ দলীয় কাৰ্যকৰ্তা সকলৰ সহযোগত ৰঙিয়া সমষ্টিৰ অন্তৰ্গত ১০ খন পঞ্চায়তক একেলগে বিৰামহীন প্ৰগতিৰ দিশত আগবঢ়াই নিয়াৰ লক্ষ্যৰে প্ৰতিটো দিনে জনতা জনাৰ্দনক সেৱা কৰা নিমিত্তে এক পযেক জোৰা কাৰ্যসূচী হাতত (২৭ ছেপ্টেম্বৰ পৰা ৩ জানুৱাৰী) লৈ "বিধায়কৰ পঞ্চায়ত দৰবাৰ" অনুষ্ঠানৰ দ্বাৰা ১০ খন পঞ্চায়তক সামৰি প্ৰতিখন পঞ্চায়তত দুখন নাইবা তিনিখনকৈ মুঠ ২১ খনকৈ সজাগতা সভা অনুষ্ঠিত কৰি চৰকাৰৰ জনকল্যাণ মূলক আঁচনি তথা সমষ্টিৰ উন্নয়ন মূলক কাম কাজ সমূহৰ বিষয়ে অৱগত কৰে। উক্ত অনুষ্ঠানৰ জৰিয়তে গ্ৰাম্যাঞ্চলৰ প্ৰতিগৰাকী সাধাৰণ ৰাইজৰ মৌলিক সমস্যা তথা অভাৱ অভিযোগ সম্পৰ্কে প্ৰত্যক্ষভাৱে বুজ লৈ তাৎক্ষণিক ভাৱে ৰাইজৰ সকলো সমস্যা সমূহৰ সমাধান কৰি তোলাৰ প্ৰয়াস কৰে। এই পযেক জোৰা কাৰ্যসূচীৰে আৰম্ভ হোৱা #বিধায়কৰপঞ্চায়তদৰবাৰ- অনুষ্ঠানটোৰ " প্ৰথম দিনটোত বড়িগোগ গাঁও পঞ্চায়তত সজাগতা সভাৰ শুভাৰম্ভণি হৈ আৰু আৰিমত্ত গাঁও পঞ্চায়তত সফল ভাৱে সামৰণি হোৱা" বিধায়ক পঞ্চায়ত দৰবাৰ অনুষ্ঠানটোৰ প্ৰতিখন পঞ্চায়তৰ সাধাৰণ ৰাইজৰ স্বতঃস্ফূৰ্ত সঁহাৰিৰ, বহু সংখ্যক আই মাতৃৰ তথা সাধাৰণ ৰাইজৰ উপস্থিতি দেখি সকলোৱে অভিভূত হৈছে। এই অনুষ্ঠানৰ জৰিয়তে ৰাইজে নিজৰ ব্যক্তিগত সমস্যা তথা ৰাজহুৱা সমস্যাসমূহৰ বিষয়ত বিধায়ক ডাঙৰীয়াক অৱগত কৰাৰ লগতে কিছু সমস্যা থিতাতে সমাধান কৰিবলৈ এক বিশেষ সুবিধা তথা সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। লগতে মাননীয় বিধায়ক ডাঙৰীয়াই চৰকাৰৰ জনকল্যাণ মূলক আঁচনি সমূহ যাতে ৰাইজে লাভালাভ তথা সুফল পাব পাৰে সেয়েহে আঁচনি সমূহৰ লাভালাভ পাবলৈ প্ৰক্ৰিয়া সন্দৰ্ভত ভালদৰে বুজাই দিয় কয় যে- মোৰ সমষ্টিত যাতে এজনো প্ৰকৃত হিতাধিকাৰীয়ে এই আঁচনিসমূহৰ পৰা বঞ্চিত নহয়, সেই বাবে মই নিজে আপোনালোকৰ কাষত থিয় হৈ আঁচনি সমূহ সম্পৰ্কে সজাগ কৰি তুলিছোঁ। লগতে ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ খনে ৰাইজৰ বাবে লোৱা প্ৰতিখন জনকল্যাণ মূলক আঁচনিৰ দ্বাৰা দেশৰ তথা অসম জনসাধাৰণে ইতিমধ্যে বহু হিতাধিকাৰী আঁচনি সমূহৰ পৰা লাভবান্দিত হৈ উপকৃত হৈছে বুলি ৰাইজক বহু গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত অৱগত কৰে। বিধায়ক ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ জনকল্যাণ মূলক আঁচনি সমূহৰ বিষয়ত ৰাইজক সজাগ কৰি তুলি প্ৰকৃত হিতাধিকাৰী সৃষ্টি কৰি তুলিব পাৰে সেয়েহে ৰাইজক মূলতে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ কেইবাখনো জনকল্যাণ মূলক আঁচনি ক্ৰমে- মিছন বসুন্ধৰা, অৰুন্ধতী আঁচনি, অৰুনোদয় আঁচনি, প্ৰধানমন্ত্ৰী আবাস যোজনা(গ্ৰামীণ), প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা, আয়ুসমান ভাৰত ৰেচন কাৰ্ড আদি।

বিধায়ক দেৱৰ এনে জনহীতকৰ প্ৰচেষ্টাক সকলোৱে শলাগ লৈ আশীৰ্বাদ প্ৰদান কৰিছে। শীতৰ এই জাৰ কপোৱা ঠাণ্ডাকো নেওচি বিধায়কৰ দৰবাৰ অনুষ্ঠানটোৰ প্ৰতি ৰাইজৰ যি উৎসাহ উদ্দীপনা আৰু সঁহাৰি দেখি সঁচাকৈ বিধায়ক ডাঙৰীয়াই আনন্দ অনুভৱ কৰিছে। এই অনুষ্ঠানটো প্ৰথম পৰ্যায়ত সমষ্টিৰ ১০টা পঞ্চায়তত জনকল্যাণ মূলক আঁচনি আৰু সমষ্টিৰ উন্নয়নমূলক সজাগতা সভা আৰু দ্বিতীয় পৰ্যায়ত ৰঙিয়া পৌৰসভাৰ অন্তৰ্গত ৮ টা ৱাৰ্ডত ৰাইজৰ মনৰ বুজ লোৱাৰ উদ্দেশ্যে বিধায়কৰ দৰবাৰ অনুষ্ঠান অনুষ্ঠিত কৰা হব। ৰঙিয়া বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক ডাঙৰীয়াৰ এক ব্যতিক্ৰমী অনুষ্ঠান বিধায়কৰ পঞ্চায়ত দৰবাৰ কাৰ্যসূচীৰ জৰিয়তে পঞ্চায়তবাসী ৰাইজে আঁচনি সমূহৰ সুফল তথা লাভালাভৰ প্ৰক্ৰিয়া সমূহৰ বিষয়ে বহুখিনি কথা জানিব পাৰিলে। আশা কৰিছোঁ-এই অনুষ্ঠান টোৰ দ্বাৰা ১০খনকৈ পঞ্চায়তৰ জনতাই উপকৃত হৈছে। এই চেগতে ৰঙিয়া বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক তথা ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি শ্ৰী ভবেশ কলিতা ডাঙৰীয়াই পঞ্চায়ত বাসী ৰাইজক চৰকাৰৰ জনকল্যাণ মূলক আঁচনি সমূহৰ বিষয়ত সজাগতা কৰি তুলিবলৈ লোৱা জনহীতকৰ পদক্ষেপৰ বাবে অশেষ ধন্যবাদ জনালোঁ।

# কৃতজ্ঞতাৰ বোল

হয় য'ত মুখেৰে প্ৰকাশ কৰিব নোৱাৰাৰ দুখ এটাই হেঁচি ধৰে। সেয়েহে আগন্তুক নৱবৰ্ষই কৃতজ্ঞতাৰ বোলেৰেৰঙীন হোৱাৰ সুযোগ কঢ়িয়াই আনক। কৃতজ্ঞতা প্ৰকাশৰ সৌহাৰ্দ্যপূৰ্ণ ধৰণে নৱপ্ৰজন্মক আকৰ্ষিত কৰক। আশাবাদী, সৃষ্টিশীল, সক্ৰিয়, কৰ্তব্যপৰায়ণ আদি গুণেৰে সমৃদ্ধিশালী হ'বলৈ, শাৰীৰিক আৰু মানসিকভাৱে ভালে থাকি আনকো ভালে ৰাখিবলৈ পণ লোৱাসকলে বোধকৰোঁ কৃতজ্ঞতা প্ৰকাশত কৃপণালি নকৰে কাহানিও। আজিৰ এই ব্যস্ততাৰে ভৰা যান্ত্ৰিক পৃথিৱীত আপোনাৰ, মোৰ বাবে ভৰা; আপোনাৰ, মোৰ বাবে প্ৰেৰণাৰ হাতখন অনায়াসে আগবঢ়াই দিয়া সেই এমুঠিমান মানুহৰ প্ৰতি অকৃতজ্ঞ হ'লে জানো জীৱনৰ সাৰ্থকতা থাকিব? আহকচোন, কৃতজ্ঞতা জ্ঞাপনৰ মহৎ সভ্যতা অনুশীলনেৰে আমিও সুখ চপাও; হাঁহি বিলাও।

# ভোগালী, ভোগ আৰু

কোনোৱে উদ্ধাৰ কৰিব নোৱাৰে।। উৎসৱ উদযাপন কৰা উচিত কিন্তু প্ৰকৃতি ধ্বংস কৰা অনুচিত। জনসংখ্যা যিমানেই বৃদ্ধি হব সিমানেই হাবি জংঘল, গছগছনি কটা হব যাৰফলত অন্য জীৱজন্তুৰ প্ৰজাতি বিলুপ্ত হব, যিহেতুকে আমি জীৱনৰ ভাৰসাম্য বজাই ৰাখিবলৈ এটাই আনটোৰ ওপৰত নিৰ্ভৰশীল গতিকে এই ভোগবাদী মনোবৃত্তিয়ে এটা প্ৰজাতি সংখ্যা বৃদ্ধি কৰিব আৰু আন প্ৰজাতিবোৰ বিলুপ্ত কৰিব তেতিয়া মহাবিনাশ হোৱাতো নিশ্চিত। আমি নিজেও বাচি থাকিব লাগিব লগতে আনকো বচাই ৰাখিব লাগিব, তেতিয়াহে পৃথিৱী আৰু প্ৰকৃতিৰ ভাৰসাম্য বজাই থাকিব। যিহেতুকে আমি জীৱশ্ৰেষ্ঠ গতিকে পশুৰ দৰে আমি কৰ্ম কৰা অনুচিত, পশুৰ বিবেক জ্ঞান নাই মানুহৰতো আছে।

# অ'ভাৰ ব্ৰিজ সমূহত বেনাৰ প'ষ্টাৰ

ঘৰখনত যদি কোনোবাই তামোলৰ পিক পেলায়, কোনোবাই হোমিওপেথিক দৰবৰ প'ষ্টাৰ নতুবা কোনোবা নিৰ্বাচনী প'ষ্টাৰ লগাই দিয়ে, তেওঁক জীৱন্তে পুতি থোৱাৰ দৰে খং নুঠিবনে আপোনাৰ? নিশ্চয় উঠিব। কাৰণ সেই ঘৰখনক আপুনি নিজৰ বুলি জানে। ঠিক তেনেদৰে আপোনাৰ মোৰ দেশৰ চৰকাৰী বস্তুবোৰতে যে অংশ আছে, ইয়াক সুকলমে ৰখাৰো যে আপোনাৰ মোৰ দায়িত্ব কৰ্তব্য আছে সেয়া আপুনি মই পাহৰি গ'লে নচলিব।

৪) আহক আমি মুখেৰে নহয় হৃদয়েৰে গঢ়োঁ সোণৰ অসমখনি। আহক আজিৰ পৰা অ'ভাৰ ব্ৰিজ আৰু ৰাজহুৱা দেৱাল সমূহৰ সৌষ্ঠৱ বৃদ্ধিৰ প্ৰতিযোগিতা কৰোঁ।

# জীৱন যাত্ৰা

**ৰুমী মুৰ্মু, বৰপথাৰ কলেজ**



এয়া মাথো আৰম্ভনি হে  
অনিৰ্দিষ্ট কাললৈ চলিব এই যাত্ৰা।  
অচিন লোকৰ ভিৰ  
সকলো নিজতেই বিলীন।  
পথভ্ৰষ্ট লোকৰ সংখ্যাও অপৰিসীম।  
বিসদৃশ জীৱন বাটত  
ক্লান্ত পৰিব অসহায় শৰীৰ।  
উৎকণ্ঠিত মন ভাগৰি পৰাতকৈ  
দুগুণ সাহসী হ'ব।  
তথাপিও, অবিৰত ভাৱে চলিব এই যাত্ৰা।  
অজ্ঞাত ভৱিষ্যত.... !  
লক্ষ্য প্ৰাপ্তিৰ দুৰ্বাৰ হেঁপাহ।  
কন্টকীত পথৰ সিপাৰে সপোনৰ দেশ।  
জটিলতাৰ দেৱাল ভাঙি আগুৱাম,  
চলাই যাম এই অন্তহীন যাত্ৰা।  
ধুৰলী-কুৰলী পথৰ মাজেৰে...  
আগুৱাই যোৱাৰ চেষ্টা।  
জীৱনৰ এই অন্তহীন যাত্ৰা।

# লিপ চেকেণ্ডৰ সময় শেষ হ'ল ঃ ঘড়ীবোৰ থমকি ৰোৱা বন্ধ কৰিবলৈ বিশ্বই সমৰ্থন কৰিছে

**ডং ৰাস্না ৰাজখোৱা, শোণিতপুৰ**



পৃথিৱীৰ ঘূৰ্ণনৰ সৈতে মিল ৰাখিবলৈ চৰকাৰী ঘড়ীত 'লিপ চেকেণ্ড' (leap seconds) অৰ্থাৎ জাঁপ মৰা ছেকেণ্ড এটা যোগ কৰাৰ প্ৰথা ২০৩৫ চনৰ পৰা স্থগিত ৰখা হ'ব বুলি ২০২২ চনৰ ১৮ নৱেম্বৰত পেৰিছৰ বাহিৰত অনুষ্ঠিত হোৱা ওজন আৰু পৰিমাপ সম্পৰ্কীয় সাধাৰণ সন্মিলনত (General Conference on Weights and Measures (CGPM)) বিশ্বজুৰি চৰকাৰসমূহৰ প্ৰতিনিধিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ অৰ্থ হ'ল ২০৩৫ চনৰ পৰা বা সম্ভৱতঃ তাৰ আগৰ পৰা পৃথিৱীৰ ঘূৰ্ণনৰ দ্বাৰা নিৰ্ধাৰিত জ্যোতিৰ্বিজ্ঞানৰ সময় (UT1 নামেৰে জনাজাত) ক পাৰমাণৱিক ঘড়ীৰ স্থিৰ টিক্ টিক্ (steady tick of atomic clocks.) ওপৰত ভিত্তি কৰি নিৰ্মিত সমন্বিত সাৰ্বজনীন সময় (Coordinated Universal Time -UTC)ৰ পৰা এক চেকেণ্ডতকৈ অধিক বিচ্ছিন্ন হ'বলৈ দিয়া হ'ব। ১৯৭২ চনৰ পৰা যেতিয়াই দুয়োটা সময় ব্যৱস্থা ০.৯ ছেকেণ্ডতকৈ অধিক প্ৰাৰ্থক্য হয়, তেতিয়াই ইউটিচিত (সমন্বিত সাৰ্বজনীন সময় (UTC)) এটা লিপ চেকেণ্ড যোগ কৰা হয়। কানাডাৰ হেলিফেক্সৰ মেট্ৰ'লজি ৰিচাৰ্চ চেণ্টাৰৰ সঞ্চালিকা প্ৰধান জৰ্জেট মেকড'নাল্ডে কয় যে সময় আৰু কম্পনাংক অনুসৰি কাম কৰা গৱেষকসকলৰ বাবে এই সালসলনি বন্ধ কৰাটো "এটা জাঁপ আগবাঢ়ি যোৱা"। "মই আনন্দিত যে তেওঁলোকৰ প্ৰচেষ্টাই আমাক এই মুহূৰ্তলৈ লৈ আনিছে।" লিপ চেকেণ্ড ভৱিষ্যবাণীযোগ্য নহয়, কাৰণ ই পৃথিৱীৰ স্বাভাৱিক ঘূৰ্ণনৰ ওপৰত নিৰ্ভৰশীল।

মেকড'নাল্ডে কয় যে ইহঁতে নিৰ্দিষ্ট সময় নিৰ্ধাৰণৰ ওপৰত ভিত্তি কৰি গঠিত ব্যৱস্থাসমূহক বিঘ্নিত কৰে আৰু ডিজিটেল যুগত বিধ্বংসী ৰূপ ধাৰণ কৰিব পাৰে। ফেচবুকৰ মূল কোম্পানী মেটা আৰু গুগল, লিপ চেকেণ্ড বাতিল কৰাৰ আহ্বান জনোৱা প্ৰযুক্তি কোম্পানীসমূহৰ ভিতৰত অন্যতম। আন্তঃৰাষ্ট্ৰীয় একক ব্যৱস্থাকো (International System of Units (SI)) তদাৰক কৰা ওজন আৰু পৰিমাপ সম্পৰ্কীয় সাধাৰণ সন্মিলনত - প্ৰস্তাৱ লোৱা হয় যে অন্ততঃ এশ বছৰৰ বাবে কোনো লিপ চেকেণ্ড যোগ কৰা উচিত নহয়, যাৰ ফলত UT1 আৰু UTC-ৰ প্ৰায় ১ মিনিট প্ৰাৰ্থক্য হ'ব পাৰে। কিন্তু ই আন আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ সৈতে পৰামৰ্শ কৰাৰ পৰিকল্পনা কৰিছে আৰু ২০২৬ চনৰ ভিতৰত দুয়োটাকে কিমানখিনি বিচ্ছিন্ন হ'বলৈ দিব লাগে তাৰ কি উচ্চ সীমা, যদি আছে, সেইটো নিৰ্ধাৰণ কৰিব।

**পৰিৱৰ্তনৰ সময়**

২০৩৫ চনৰ পূৰ্বে লিপ ছেকেণ্ড বাতিল কৰাৰ আহ্বান জনোৱা ওজন আৰু পৰিমাপ সম্পৰ্কীয় সাধাৰণ সন্মিলনত কানাডা, আমেৰিকা আৰু ফ্ৰান্সৰ প্ৰতিনিধিও আছিল। কিন্তু এই প্ৰস্তাৱৰ বিৰুদ্ধে ভোট দিয়া ৰাছিয়াই ইয়াৰ উপগ্ৰহ-নেভিগেচন ব্যৱস্থা GLONASS ত সমস্যাসমূহ কাৰিকৰী বিষয়ৰ (technical issues) সৈতে মোকাবিলা কৰিবলৈ তাৰিখটো ২০৪০ বা পিছলৈ পিছুৱাই নিব বিচাৰিছে। ৰাছিয়াৰ ব্যৱস্থাত লিপ চেকেণ্ড অন্তৰ্ভুক্ত কৰা হৈছে, আনহাতে জিপিএছ উপগ্ৰহকে ধৰি আন ব্যৱস্থাই ইতিমধ্যে ইয়াক ফলপ্ৰসূভাৱে আওকাণ কৰিছে। যদি এই সিদ্ধান্ত লোৱা হয় তেনেহ'লে ইয়াৰ অৰ্থ হ'ব ৰাছিয়াই নতুন উপগ্ৰহ আৰু গ্ৰাউণ্ড ষ্টেচন স্থাপন কৰিব লাগিব। ক'লৰাড'ৰ বোল্ডাৰত থকা নেশ্যনেল ইনষ্টিটিউট অৱ ষ্টেণ্ডাৰ্ডছ এণ্ড টেকন'লজিৰ সময় আৰু কম্পনাংক বিভাগক নেতৃত্ব দিয়া এলিজাবেথ ডনলেই কয় যে যিসকল জ্যোতিৰ্বিজ্ঞানীয়ে নিজৰ টেলিস্কোপসমূহ মিলাবলৈ বা সংৰেখিত কৰিবলৈ UT1ৰ ওপৰত নিৰ্ভৰ কৰে, তেওঁলোকেও এই পৰিৱৰ্তনৰ বাবে সামঞ্জস্য স্থাপন কৰিব লাগিব। কিন্তু বৰ্তমানৰ পৰিস্থিতি অস্থায়ী আৰু ইয়াৰ অৱস্থা আৰু বেয়া হৈ যাব বুলিও তেওঁ লগতে কয়। বিভিন্ন সংস্থাই লিপ চেকেণ্ডটো বেলেগ বেলেগ ধৰণে চম্ভালে (উদাহৰণস্বৰূপে গুগলে ২৪ ঘণ্টাৰ সময়ছোৱাত অতিৰিক্ত চেকেণ্ডটোক 'অস্পষ্ট') ('smears' out) কৰি পেলায়। ইয়াৰ ফলত সময়ৰ উৎসৰ মাজত আধা চেকেণ্ডৰ অস্পষ্টতা সৃষ্টি হয়, "যিটো বিশাল"।

**লিপ-ছেকেণ্ডৰ সিদ্ধান্ত আঠ বছৰ পলম হ'ল**

(বাৰপৃষ্ঠাত চাওক)

## ENGLISH NEWS SECTION

# ASDMA strengthening capacities of NGOs for disaster response in Assam through search & rescue trainings




Guwahati,RB News - Assam State Disaster Management Authority (ASDMA) in collaboration with Civil Defence, Assam has organised a five days training program from 2nd to 6th January, 2023, on Search and Rescue operations for disaster management for the NGO personnel in Assam. The training program was organised with an objective to impart the knowledge on effective response mechanism required for managing any disaster and strengthen the capacities of the NGOs working at grass root level on disaster preparedness and response. Total 123 representatives from 41 NGOs (registered under the Go-NGO portal of ASDMA) across 18 districts of Assam has participated in the training program. NGOs work as frontline institution with close proximity with the community for multiple issues concerning to disaster management as well as community resilience development. Capacitating them with adequate resources and enhancing their knowledge on mitigation measures will not only paved the way for better service delivery in disaster management but will also help in disaster risk reduction. The training module included theoretical knowledge on basic disaster management and response mechanism which was conducted on the first day of the training at the Administration Staff College, Khanapara along with practical demonstration on search and rescue which was conducted at the Civil Defence Training Institution (CTI), Panikheti. Participating districts are Hojai, Darrang, Nalbari, Kamrup (Rural), Biswanath, Sonitpur, Dhemaji, Dhubri, Tinsukia, Dibrugarh, Golaghat, Cachar, Morigaon, West Karbi Anglong, Kamrup (Metro), Barpeta, Jorhat and Karbi Anglong. Training session of the first batch has been culminated on 6th January, 2023 and the second batch training will happen from 9th to 13th January, 2023.

# Assam Governor lays foundation stone for New Raj Bhavan



Guwahati, RB News - Assam Governor Prof. Jagdish Mukhi laid the foundation stone of the New Raj Bhavan building in presence of Chief Minister Dr. Himanta Biswa Sarma at Kharguli here.It may be noted that as a part of the State government's special development initiative 'Bikashor Babe Ek din' foundation for New Raj Bhavan was laid along with other infrastructure projects in Guwahati.Speaking on the occasion, the Governor said, "It is a happy occasion because Raj Bhavan Assam which is a constitutional bedrock of the State is going to have yet another infrastructural addition. I sincerely thank our dynamic Chief Minister Dr. Sarma. Without his help and initiatives this new building for the Raj Bhavan would not have been possible.'' Prof. Mukhi also said that under the present Chief Minister, Assam has witnessed exponential infrastructure development. Several projects have been undertaken to present the people an advanced standard of living. He said, "If this process continues unabated Assam will reach a new level of development".

# Team India's selection committee announced, Chetan Sharma to continue as chief selector



RB News - The BCCI on Saturday announced Team India's new five-member selection committee. Chetan Sharma will continue as the chief selector. The other four members of the committee are Shiv Sundar Das, Subroto Banerjee, Salil Ankola and Sridharan Sharath. In a statement, the BCCI said that it received around 600 applications following its advertisement for the five posts on November 18, 2022.

# Indian duo Balaji-Jeevan beat 2nd seeds to enter Tata Open Maharashtra semis



RB News -Indian pair of Sriram Balaji and Jeevan Nedunchezhiyan beat second-seeded Jackson Withrow and Nathaniel Lammons 7-6(8-6), 7-6(7-5) in doubles quarter-final at Tata Open Maharashtra on Thursday. Notably, the Indian duo has entered the tournament as an alternative pair. Meanwhile, India's Ramkumar Ramanathan and his Mexican partner Miguel Reyes-Varela lost in doubles quarter-final.

# DATE OF FINAL PUBLICATION OF ELECTORAL ROLL OFTHE ONGOING SPECIAL SUMMARY REVISION IS 17TH JANUARY

Guwahati, RB News - The date of Final Publication of Electoral Roll in the ongoing Special Summary Revision, 2023 in Assam is rescheduled from 16.01.2023 to 17.01.2023. The Election Commission of India has declared that the Final Publication of Electoral Roll in Assam will now be done on 17.01.2023 (Tuesday). There will be no change in the schedule relating to other activities in Special Summary Revision, 2023.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

২৩ পুহ ১৪২৯ চন Rongili Barta, Date of Publication--8 January,2023

# সপোন আৰু বাস্তৱৰ দোমোজাত আকৌ এটি নতুন বছৰ

ফখৰুদ্দিন আহমেদ




পুনৰ এটি নতুন বছৰৰ আগমন ঘটিল স্বভাৱ সিদ্ধ নিয়ম মতে। উখল মাখল পৰিবেশে অদ্যপি বিৰাজ কৰি আছে চাৰিওদিশে।এইবোৰ দেখি এনে অনুভৱ হয় যেনিবা পূৰ্বে এনেদৰে নতুন বছৰ অহাই নাছিল। নহ'লেনো ২০২২ বৰ্ষৰ শেষ দিন আৰু ২০২৩ বৰ্ষৰ পহিলা দিনটোত কৌটি কৌটি টকাৰ মদ বিক্ৰী হৈছে বুলি বাতৰি কাকত আৰু চ'চিয়েল মেডিয়াত প্ৰচাৰ হ'লহেতেন নে? পিছে এনে ধৰণৰ মানসিকতাৰ দ্বাৰা দশকৰ পিছত দশক জুৰি সমাধান নোহোৱা স্বদেশ আৰু স্বজাতিৰ সমস্যাবোৰ কেতিয়াও সমাধান নহয়।বৰঞ্চ এইবোৰে যুগে যুগে স্বদেশ আৰু স্বজাতিক পিছুৱাই ৰাখিব আৰু ঐক্য, শান্তি আৰু শৃঙ্খলাত বাৰুকৈয়ে ব্যাঘাত জন্মাই থাকিব। পুৰুষানুক্ৰমে চলি অহা নতুন বছৰৰ আদৰণি জনোৱা কাৰ্যক পৰিৱৰ্তন কৰি লৈ ভোগ কৰি অহা সমস্যাবোৰ সমাধানত গুৰুত্ব আৰোপ কৰিলেহে এনে আদৰণি পৰ্ব সাৰ্থক হোৱাৰ আশা কৰিব পাৰি। এই ক্ষেত্ৰত সকলোৰে কৰণীয় বাৰুকৈয়ে প্ৰয়োজন আছে। নহ'লে সৰ্ব সাধাৰণৰ জীৱন পৰিক্ৰমাত সপোন আৰু বাস্তৱৰ ৰূঢ়তাই নেতিবাচক প্ৰভাৱ পেলোৱা কাৰ্য ধ্ৰুৱ সত্য হিচাপে বিবেচিত হৈ ৰ'ব। এনে নেতিবাচক প্ৰভাৱ যুগমীয়া হ'ব আৰু তাৰ ফলত উত্তৰ প্ৰজন্ম বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হ'ব।

অসমত ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা বিশেষ দুটা সংগ্ৰামৰ ক্ৰম অনুসৰি উল্লেখ কৰিলে এটি হ'ব সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত হোৱা অসম আন্দোলন য'ত বিদেশী সমস্যাই আছিল প্ৰধান আৰু আনটো হৈছে আলফাৰ স্বাধীন অসমৰ বাবে সশস্ত্ৰ সংগ্ৰাম। সম্প্ৰতি এই দুই সংগ্ৰামৰ শেষ ৰক্ষা কি দৰে হ'ব তাৰ খাটাং ফলশ্ৰুতি সুদূৰ পৰাহত যেন হে বোধহয়। কাৰণ অসম আন্দোলনৰ প্ৰধান সমস্যা বিদেশী সমস্যাই সম্প্ৰতি অসমত চৰকাৰ গঠন কৰা ৰাজনৈতিক দল সমূহৰ ভোট বেঙ্কৰ অঙ্কলৈ পৰিৱৰ্তন হৈছে আৰু অতি সম্প্ৰতি সন্দেহযুক্ত নাগৰিক আখ্যা দি চলিত শীতৰ প্ৰকোপৰ মাজতো চৰকাৰী পক্ষৰ উদ্যোগত উচ্ছেদ কৰি চৰম ভাবে মানৱতাক উলংঘন কৰা দৃষ্টিগোচৰ হৈছে। এনেধৰণৰ কৰ্ম কাণ্ডৰ দ্বাৰা কোনো সমস্যাৰ সমাধান হোৱাৰ সলনি অভূতপূৰ্ব সমস্যাৰ সৃষ্টি হোৱাত সহায়হে কৰে। বিদেশী সমস্যা সমাধানৰ ক্ষেত্ৰত যুগুত কৰা নাগৰিক পঞ্জীৰ কাম এতিয়া প্ৰধান সমস্যা হৈ পৰিছে। মূল সমস্যাৰ সমাধান সুদূৰ পৰাহত।

আলফাৰ স্বাধীন অসম সাম্প্ৰতিক অসমত কিমান প্ৰাসঙ্গিক সেয়া বিচাৰ্যৰ বিষয় হৈ পৰিছে।কাৰণ আলফা এতিয়া দুটা ভাগত বিভক্ত। স্বাধীনতা পন্থী আৰু আলোচনা পন্থী। তেওঁলোকৰ মাজতেই নীতি আদৰ্শৰ বৈপৰীত্যই দেখা দিছে। আলফাৰ প্ৰধান সেনাধ্যক্ষ পৰেশ বৰুৱা স্বাধীন অসমৰ সপক্ষে অটল হৈ থকাৰ বিপৰীতে আলফাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে অৰবিন্দ ৰাজখোৱা আৰু অনুপ চেতিয়াই আলোচনাৰ মাজেৰেহে এই সমস্যাটি সমাধানৰ পক্ষপাতী বুলি আগ্ৰহ প্ৰকাশ কৰি আহিছে। চলিত ২০২৩ বৰ্ষৰ আৰম্ভণিতেই আলফা (স্বাধীন) আৰু অসম চৰকাৰে প্ৰদান কৰা বক্তব্য অনুসৰি দুয়োটা পক্ষই পৰস্পৰে বিপৰীত মেৰুত অৱস্থান গ্ৰহণ কৰিছে। য'ত প্ৰধান অন্তৰায় হৈ পৰিছে আলফা (স্বাধীন)ৰ সাৰ্বভৌম অসমৰ বিষয়টি। অৱশ্যে দুয়ো পক্ষই নিচৰ্ত ভাৱে আলোচনাত মিলিত হ'লে নিশ্চিত ভাৱে সমাধান ওলালহেতেন। কিন্তু সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য কৰিলে বহু আকাংক্ষিত শান্তি আলোচনা যে অনুষ্ঠিত হ'ব সেয়া আশাতীত হৈ পৰিছে। এনে সময়ত সচেতন নাগৰিক সকলৰ দায়বদ্ধতাই ফলপ্ৰসু সমাধান সূত্ৰ আবিষ্কাৰত বিশেষ ভাৱে উপকাৰত আহিব বুলি গভীৰ ভাৱে আশা কৰিব পাৰি। । এই সময়ত সচেতন নাগৰিক সকল আৰু জাতীয়তাবাদী সংগঠন সমূহ স্ব ইচ্ছাই আগবাঢ়ি আহিব লাগিব।

এই দুই প্ৰধান সমস্যাৰ উপৰিও বিৰাট নিবনুৱা সমস্যা, বাকী থকা ভেঞ্চাৰ বিদ্যালয় প্ৰাদেশীকিকৰণ, টিউটৰ সকলক শিক্ষক হিচাপে উন্নীতকৰণ, নৱ প্ৰাদেশীকৃত বিদ্যালয়ৰ কাৰ্য্যালয় সহায়ক আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পদ নিয়মীয়াকৰণ, অত্যাধিক মূল্য বৃদ্ধি, চৰকাৰী খণ্ডৰ বিদ্যালয় সমূহৰ দুৰৱস্থা, চৰকাৰী কাৰ্যালয় সমূহত চলি থকা অবাধ দুৰ্নীতি, জনজীৱনৰ সকলো বিষয়কে ৰাজনীতিকৰণ কৰা, গৰাখহনীয়াৰ সমস্যা, মৃতপ্ৰায় হৈ থকা ৰাজহুৱা খণ্ডৰ উদ্দ্যোগ সমূহৰ উজ্জি বিতকৰণ আৰু বিভিন্ন উৎসৱ পৰা অত্যাধিক ভাবে অসম চৰকাৰে লোৱা ধাৰ আদি এশ এবুৰি সমস্যাই অসমবাসীৰ বাবে ভয়ানক হৈ পৰিৱলৈ বেছি দিন হয়তো নালাগিব।

প্ৰতি ৩৬৫ দিনৰ মূৰত এটি নতুন বছৰ আহে আৰু পৃথিৱী নিশেষ নোহোৱালৈকে ইয়াৰ পুনৰাবৃত্তি হৈয়েই থাকিব। নাচ গান কৰি মাতাল হৈ নতুন বছৰটিক আদৰণি জনালেই নহ'ব ।পুৰণি বছৰটিৰ পৰা আহি নতুন বছৰটিত যোগ হোৱা সমস্যাবোৰৰ লগতে নতুন বছৰৰ নতুন সমস্যাবোৰ কি দৰে সমাধান কৰিব পাৰি সেই সম্পৰ্কতো জন সাধাৰণৰ পূৰ্ণ মাত্ৰাই দায়বদ্ধতা জাগ্ৰত হ'ব লাগিব। তেতিয়াহে প্ৰকৃতাৰ্থত স্বদেশ আৰু স্বজাতিৰ সপোনৰ ৰাম ৰাজ্য খনি প্ৰতিষ্ঠা হ'ব।

# লিপ চেকেণ্ডৰ সময় শেষ হ'ল

যদিও চন্দ্ৰৰ টানৰ ফলত দীৰ্ঘম্যাদীভাৱে পৃথিৱীৰ ঘূৰ্ণন লেহেমীয়া হৈছে, ২০২০ চনৰ পৰা গতি বৃদ্ধিয়েও বিষয়টোক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে, কাৰণ, প্ৰথমবাৰৰ বাবে, এটা লিপ চেকেণ্ড যোগ কৰাতকৈ বৰঞ্চ আঁতৰোৱাৰ প্ৰয়োজন হ'ব পাৰে। UTC য়ে কেতিয়াবা পৃথিৱীলৈ অপেক্ষা কৰিবলৈ মাত্ৰ এটা বিটৰ গতি লেহেমীয়া কৰিবলগীয়া হৈছে, ইয়াক ধৰিবলৈ আগবাঢ়ি যোৱা নাই। ডনলেই ২০০০ চনৰ আৰম্ভণিতে এবাৰ ঘটিব বুলি আশা কৰা কম্পিউটিং ভুলৰ কথা উল্লেখ কৰি কয়, "এইটোক একপ্ৰকাৰৰ ৱাই টু কে (Y2K) সমস্যা বুলি বৰ্ণনা কৰা হৈছে, কাৰণ ই কেৱল এনেকুৱা এটা কথা যিটোৰ সৈতে আমি কেতিয়াও মোকাবিলা কৰিবলগীয়া হোৱা নাই।" ২০৩৫ চনত আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘই (International Telecommunications Union (ITU)) এই চুইচটো কৰাৰ পৰিকল্পনাত বাধাৰ সৃষ্টি কৰাৰ সম্ভাৱনা আছে। ২০১৫ চনত ওজন আৰু পৰিমাপ সম্পৰ্কীয় সাধাৰণ সন্মিলনৰ পিছত দ্বিতীয় স্থানত থকাৰ বিষয়ে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সংস্থাটোৱে ফলপ্ৰসূভাৱে এৰি দিছিল আৰু আৰিয়াছে কয় যে তেওঁলোকৰ কৰ্মগোটটোৱে ওজন আৰু পৰিমাপ সম্পৰ্কীয় সাধাৰণ সন্মিলনৰ প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰিছিল। কিন্তু ITU য়ে UTC প্ৰচাৰৰ নিয়ন্ত্ৰণ কৰে, আৰু যুক্তি দিব পাৰে যে পৰিৱৰ্তন কৰাৰ সময় সঠিক নহয়। এইটোৱেই তেওঁলোকক অলপ বিব্ৰত কৰি তুলিছে।

**সূক্ষ্ম পাৰ্থক্য**

যদিও সহস্ৰাব্দৰ পৰা মানুহৰ সময়ৰ টুকুৰাবোৰ পৃথিৱীৰ ঘূৰ্ণনৰ সৈতে ক্ৰমাংকিত (মানাংকন) কৰা হৈছে, লিপ চেকেণ্ড হেৰুৱাৰ ফলত বেছিভাগ মানুহেই কোনো প্ৰভাৱ অনুভৱ নকৰিব। আৰিয়াছে কয়, "বেছিভাগ দেশতে গ্ৰীষ্মকাল আৰু শীতকালৰ মাজত এঘণ্টাৰ প্ৰাৰ্থক্য থাকে।এঘণ্টা, এক চেকেণ্ডতকৈ বহু বেছি, কিন্তু ইয়াৰ কোনো প্ৰভাৱ জনসাধাৰণৰ ওপৰত নপৰে।" ভৱিষ্যতৰ মেট্ৰ' লজিষ্টসকলে (metrologists) UTC আৰু UT1ক পুনৰ সংহত কৰাৰ বাবে লিপ চেকেণ্ডতকৈ অধিক মাৰ্জিত উপায় বিচাৰি পাব পাৰে। যেতিয়ালৈকে পাৰ্থক্যটো উল্লেখযোগ্য হৈ পৰিব, তেতিয়ালৈকে "ইয়াক মিলন কৰাৰ আমাৰ ক্ষমতা এতিয়াৰ ক্ষমতাতকৈ ভাল হ'ব" বুলি মেকড'নাল্ডে কয়।বা সেইবোৰে হয়তো আমনি নকৰিবও পাৰে। যেতিয়া পাৰ্থক্য যথেষ্ট ডাঙৰ হ'ব, তেতিয়া দেশসমূহে নিজৰ আইনী সময় মণ্ডল স্থায়ীভাৱে এঘণ্টা সলনি কৰিব পাৰে বা আমি আনকি আমাৰ সময়ৰ জ্ঞানক সূৰ্য্যৰ পৰা সম্পূৰ্ণৰূপে বিচ্ছিন্ন কৰি একক বিশ্বৰ সময় মণ্ডল সৃষ্টি কৰিব পাৰোঁ বুলিও গৱেষকসকলে মত প্ৰকাশ কৰে। এই সমস্যাটো সমাধান হ'ব পাৰে। বিজ্ঞানে ইতিমধ্যে স্থানীয় সময় ব্যৱহাৰ নকৰে, UTC ত কথা পাতে।

#Beauty of the Week, #Art of the Week আৰু # Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধি দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য–সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286